ভিতৰতেই অসমত আটাইতকৈ বেছি কেন্সাৰ ৰোগী বুলি এটা বিশেষজ্ঞৰ দলে মতামত প্ৰকাশ কৰিছে। ইতিমধ্যে আৰু এইটোও প্ৰকাশ কৰিছে যে অসমৰ জনসাধাৰণক যি খাদ্য বস্তু খাবলৈ দিয়া হয় সেইবিলাক দোষযুক্ত, ভেকুৰা। তাৰ কাৰণেই শাৰিৰীক আৰু মানসিক, দুয়ো ধৰণে ব্যাঘাট জন্মে। অন্য দেশত যোগান দিয়া, আটা, ময়দা মিঠাতেল আনকি ঔষধ খিনিতো ভেজাল। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কোনো নিৰ্দ্দেশ নিদিয়াৰ ফলতেই এই ভেজালকাৰী সকলক কোনো শাস্তি নিদিয়াৰ ফলতেই আজি এই অৱস্থা হৈছে। আজি অসম দেশৰ উঠি অহা লৰা-ছোৱালী সকলৰ স্বাস্থ্যৰ কাৰণে লক্ষ্য কৰি নিউট্ৰেচন ফুডৰ কথাই নাই যিবিলাক বস্তু খাবলৈ দিয়া হয় সেয়াও বিষাক্ত খাদ্যহে। এই ক্ষেত্ৰত চৰকাৰৰ দৃঢ় নীতি নথকাৰ ফলতেই মাৰি মৰকত দেখা দিছে। শিশু, বৃদ্ধ মৃত্যু মুখত কৰিব লগীয়া হৈছে। অভাৱ-অনাটন দেখা দিছে। আজি যুগ যুগ ধৰি অসমৰ জনসাধাৰণে ভিক্ষা বৃত্তি লোৱা নাছিল এই মনোবৃত্তি অসমৰ মানুহৰ নাছিল কিন্তু উপাধ্যক্ষ মহোদয়, এতিয়া এটা যুগ আহি পৰিছে যিটো যুগত চৰকাৰে নিজেই স্বীকাৰ কৰিছে যে চৰকাৰী হিচাব মতেই এতিয়াও শতকৰা ৭৭ জন মানুহ জনসংখ্যা অনুপাতে দাৰিদ্ৰতাৰ অৰ্থাৎ খাবলৈ নোপোৱাৰ সীমাৰেখাৰ তলত। আনহাতে আজি আমাৰ মন্ত্ৰী মহোদয় যি জিলাৰ পৰা আহিছে সেই জিলাতে বড়ো কছাৰী মানুহ বিলাকেও ভিক্ষা কৰিবলৈ ওলাই আহিছে। যদি এই হিচাবত বিশ্লেষণ কৰি চোৱা হয় তেনেহলে আমাৰ খিলঞ্জীয়া লোকেই বছৰৰ পিচত বছৰ ধৰি আগবাঢ়ি আহিছে ভিক্ষা বৃত্তি অৱলম্বন কৰিবলৈ, ভিক্ষাৰ মনোবৃত্তি লৈ। আজি গাঁৱে ভূঞে দেখা যাব ট্ৰাইবেল বেল্টত দেখা যাব খোৱা বস্তু সুলভ মূল্যত যোগান ধৰিব নোৱাৰাৰ কাৰণে লৰা-ছোৱালীক বচাবলৈ মাক বাপেকে খাদ্য বস্তু বিচাৰি পইচা বিচাৰি ভিক্ষা বৃত্তি লবলৈ আহিবলগীয়া হৈছে নগৰ সমূহলৈ।

উপাধ্যক্ষ মহোদয়, আমাৰ এই কামৰূপ জিলাৰ ভিতৰতে, য'ত আমি ৰাজধানী পাতিছো, ডাঙৰ ডাঙৰ ঘৰ সজাইছো, ডাঙৰ ডাঙৰ কথা কৈছো এই কামৰূপ জিলাতে নলবাৰী অঞ্চলত আৰু অন্যান্য অঞ্চলত আমাৰ বাই-ভনীয়ে গুৱাহাটী চহৰত আহি নিজক বচাই ৰাখিবলৈ নিজৰ গাৰ মঙহ বিক্ৰী কৰিব লগীয়া হৈছে।

এই ক্ষেত্ৰত আজি চৰকাৰে সম্পূৰ্ণভাবে ব্যৰ্থ হোৱা নাই বুলি কব বিচাৰে নেকি ? অসমীয়া ডেকা-গাভৰু-ছোৱালী যিয়েনেকি ভুৱাৰদলি পাৰ নহয়—এই অসমৰ খিলঞ্জীয়া লোকসকল বুৰঞ্জীত চহকী হৈ থকা সকলো কালৰ পৰা স্বয়ং সম্পূৰ্ণ দেশ এখনৰ মানুহৰ নিজৰ ভাইভনীয়ে নিজৰ গাৰ মঙ্গহ বিক্ৰি কৰি আজি পৰিয়াল চলাবলৈ নগৰলৈ দৌৰী আহিছে। যদি কোনোবা মন্ত্ৰী বা নেতৃস্থানীয় লোক গোৱাহাটীৰ হোটেললৈ ৮ বজাৰ পিচত যায়; তেন্তে আমাৰ অস্তিত্ব, চৰকাৰৰ অস্তিত্ব, বিধানসভাৰ অস্তিত্ব আৰু চৰকাৰে ফটা ঢোল কোবাই জাইৰ কৰা নেতৃত্বৰ অস্তিত্ব সকলো বুজি লব। আজি চৰকাৰে বহুতো ক্ষেত্ৰত আগবঢ়াই নিবলৈ চেষ্টা কৰিছে, কিন্তু আজি মানুহৰ যিটো অৱস্থা আমাৰ যিটো প্ৰাপ্যৰ যোগান ধৰিব লাগে সেইখিনি চৰকাৰে যোগান ধৰিব পৰা নাই। উদাহৰণ স্বৰূপে আমাৰ নিউট্ৰিচন নৰ্মচ্ যিবিলাক আছে সেই নৰ্মচৰ ওপৰত আমাৰ বেলেনচ্ ডাইট সম্পৰ্কত বিশেষজ্ঞ সকলে মত প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত আগতে গ্ৰহণ কৰা পে-কমিটিৰ কথাও মই উনুকীয়াই দিব বিচাৰিছো। আজি নিউট্ৰিচন বা বেলেনচ্ ডায়েটৰ যিবিলাক খাদ্যপ্ৰাণ দিছে সেইবিলাক কোনেও গ্ৰহণ কৰা নাই। শেষত ডঃ শ্ৰীগোপালন আৰু শ্ৰীনৰসিংগম ৰাওৱে ১৯৬৮ চনত ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাচত যিটো ব্যাখ্যা দিলে সেইটো শেষতীয়াকৈ হলেও সৰ্ব্বভাৰতীয় ৰাইজে গ্ৰহণ কৰিছে। সেই সম্পৰ্কে তেওঁলোকে ৰিকমেণ্ড কৰিছে যে সৰ্ব্বভাৰতীয় কেলৰীৰ হিচাব হল চফ্ট্ ২'৪০০, মেডিয়াম ২'৮০০, আৰু হাৰ্ড হল ৩০'৯ কেলৰী। এই বিশেষজ্ঞ দুজনৰ মতে সেইমতে আমাৰ ইয়াত দেখা গৈছে যে— যিবিলাক বস্তু আমাৰ ইয়াতেই উৎপন্ন হয়, তাৰ ভিতৰত কণীৰ হল ১৯৬৯-৭০ চনত ১৩'৬ আৰু ১৯৭০-৭১ চনত ১৪'৮ প্ৰতি দিনে। গাখীৰৰ দিনে ১৯৬৯-৭০ চনত ১৪'২ বা ২৯ গ্ৰাম আৰু ১৯৭০-৭১ চনত ১৬'২ বা ৪৪ গ্ৰাম। মাছৰ হল ১০৬৯-৭০ চনত ৬'৬ বা ২১ গ্ৰাম আৰু ১৯৭০-৭১ চনত হল ৭'৬ বা ২১ গ্ৰাম আৰু মাংসৰ ১৯৬৯-৭০ চনত 0'৮৫ আৰু ১৯৭০-৭১ চনত হল ০'০৯ বা ২৫ গ্ৰাম।

এই সংক্ৰান্তত আমাৰ যিটো চাহিদা পঞ্চম ৫ বছৰীয়া পৰিকল্পনাত তাত গাখীৰৰ দেখুৱাইছে ১৯৬৮-৬৯ চনত ১ লাখ টন আৰু ১৯৬৯-৭০ চনত দেখুৱাইছে ১৫৬'২ টন। মাংসত ৬'৯ লাখ টন ১৯৭৩-৭৪ চনত ৮'৪ লাখ টন আৰু ১৯৬৮-৬৯ চনত ১১'৫ লাখ টন। কণীত দেখুৱাইছে ১৫৫ টন ১৯৭৩-৭৪ চনত ২৩৪ লাখ টন আৰু ১৯৬৮-৬৯ চনত ৪১০ লাখ টন। যদি প্ৰকৃততে সেইবিলাক উৎপাদন হৈছে—তেনেহলে গাৱঁত থকা লৰা-ছোৱালীবিলাকে নিউট্ৰিচনত থকা পুষ্টিকৰ খাদ্য খাবলৈ পোৱা নাই। আনহাতে সৰ্বভাৰতীয় হিচাবত বা আন আন ৰাজ্যৰ তুলনাত আমাৰ অসমৰ মুঠ কেলৰী একেবাৰে নিম্ন স্তৰৰ। আমাৰ অসমৰ খিলঞ্জীয়া লোকৰ সৰহ ভাগেই গাৱঁত বাস কৰে। এতিয়া সৰ্বভাৰতীয় হিচাবমতে ৰাজস্থানৰ চাহিদা ১২০, মুঠ ২৪৯৫ আৰু তেওঁলোকৰ গাৱঁত বাস কৰা লোকৰ সংখ্যা হল মাত্ৰ ১৩'২৯ ভাগ। উত্তৰ প্ৰদেশত ১৪৬, মুঠ ২২৩৭ আৰু গাৱঁত বসবাস কৰে ১৮'১৩ ভাগ। মধ্যপ্ৰদেশত মুঠ ২৪৭৫ আৰু গাৱঁত বাস কৰা মানুহৰ সংখ্যা হল ২৫৭ ভাগ। জম্মু আৰু কাশ্মীৰত ১৫৬ টকা। মুঠ কেলৰী ২৩৮০ আৰু গাৱঁত বাস কৰে ১৩'৬৯ ভাগ। পঞ্জাবত ১৬৪। মুঠ ২৪০২ আৰু গাৱঁত বাস কৰে ১৮'৯৮ ভাগ। তাৰ পাছত অসমৰ মূল্যবৃদ্ধিৰ বাবত দেখুওৱা হৈছে—২৩৩ অংশ। মুঠ কেলৰী ২৩৬০ আৰু গাৱঁত বাস কৰা লোকৰ সংখ্যা হল ৪৭'৬৭ ভাগ। অসমৰ পাৰ কেপিটা কনজামচন কষ্ট ২৩৩ টকা নিউট্ৰিচন ২৩৬০ কেলৰি আৰু গাৱঁত বস-বাস কৰা লোকৰ শতকৰা ৪৭'৬৭ ভাগ। বৰ্তমান নীতিৰ ফলত চৰকাৰ কি উৎপাদনৰ ক্ষেত্ৰত, কি সমভাবে বিতৰণৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈছে। ফলত দেশত দুৰ্দশাই দেখা দিছে, মানুহৰ কষ্টৰ সীমা নোহোৱা হৈছে, আনকি নিজৰ অতি মৰমৰ লৰা-ছোৱালী সাধাৰণ বস্তু বেচাৰ দৰে বেচিব লগা হৈছে। আজি অসম চৰকাৰৰ দুৰ্বল নীতিৰ কাৰণে জনসাধাৰণক সহায় কৰা দূৰৰ কথা দিনক দিনে ধ্বংসৰ ফালেহে ঠেলি দিছে। এই চৰকাৰ খুউৱাৰ দায়িত্বত আৰু মানুহক পিন্ধোৱাৰ দায়িত্বত সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে। আনহাতেদি নিউট্ৰিচনৰ নামত ইমান টকা খৰছ কৰিবলৈ বিচৰাৰ কোনো যুক্তি নাই। আজি মানুহৰ স্বাস্থ্য দিনক-দিনে অবনতিৰ ফালে গৈছে সমাজৰ নৈতিক অবনতি ঘটিছে।

তাৰ কাৰণে দায়ী অসম চৰকাৰ। এই চৰকাৰে সমগ্ৰ দেশখন ধ্বংসৰ ফালে ঠেলি দিছে। বস্তুৰ দাম আৰু বিতৰণ ক্ষেত্ৰত এচাম মানুহে দেশখন হাড়ে হিমজুৰে খুলি খুলি খাইছে। খাদ্যৰ ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে, যিবিলাক কমিটি গঠন কৰিছে সেই ব্যৱস্থাৰ কাৰণে উন্নতি হওক চাৰি অৱনতিহে হৈছে। আজি খাদ্যৰ পৰিস্থিতি গোটেই দেশতে নিয়ন্ত্ৰণৰ বাহিৰ হৈ গৈছে। তাৰ ফলত গুজৰাট আৰু বিহাৰত এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। সেই পৰিস্থিতিলৈ লক্ষ্য ৰাখি অসম চৰকাৰো আগবাঢ়ি অহা উচিত। তেওঁলোকে যদি নিজৰ দায়িত্বৰ পালন কৰিব নোৱাৰে তেনেহলে সেই দায়িত্ব অসমৰ জন, সাধাৰণৰ হাতত গটাই দিয়া উচিত। যি শিতানত মঞ্জুৰী ৯১ লাখ ৩২ হেজাৰ বিচাৰিছে সেই টকা মানুহৰ বৰ্তমান অৱস্থালৈ লক্ষ্য ৰাখি আৰু নৈতিকতাৰ ফালৰ পৰাও বিচৰাৰ কোনো যুক্তি নাই। বৰ্তমান চৰকাৰ নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰি খাদ্য যোগানৰ ক্ষেত্ৰত বিতৰণৰ ক্ষেত্ৰত সম্পূৰ্ণ বিফল হৈছে। দুখীয়া জনসাধাৰণক মৃত্যুৰ ফালে ঠেলি দিছে। সেই কাৰণে চৰকাৰে গাদী ত্যাগ কৰা উচিত। নিউত্ৰিচনৰ নামত যি ৯১ লাখ ৩২ হেজাৰ মঞ্জুৰী দাবী কৰিছে মই তাৰ বিৰোধিতা কৰিছো আৰু মোৰ কৰ্তন প্ৰস্তাৱটো সদনৰ গ্ৰহণাৰ্থে আগবঢ়াইছো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— উপাধ্যক্ষ মহোদয় কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুশাৰ কব খুজিছো। মানুহ জীয়াই থাকিবৰ কাৰণে খাদ্যৰ দৰকাৰ। অকল খাদ্যই নহয় মানুহৰ শাৰিৰীক আৰু মানসিক উৎকৰ্ষ সাধনৰ কাৰণে পুষ্টিকৰ আহাৰ প্ৰয়োজন। মানুহ জীয়াই থকাৰ কাৰণে, পেটৰ জ্বালা নিবাৰণৰ কাৰণে অকল চাউলেই নহয়, মাছ মঙহ গাখীৰ ঘীউ কণী আদি পুষ্টিকৰ আহাৰৰ প্ৰয়োজন। এই সকলোবোৰ বস্তুৰ যোগান ধৰা চৰকাৰৰ কৰ্তব্য।

অধ্যক্ষ মহোদয় আমি জানো যে এই ৰাজ্যত শতকৰা ৭৫ জন দৰিদ্ৰ সীমা ৰেখাৰ তলত আৰু গাৱত শতকৰা ৯৫ জন। যি সকল লোক এই দৰিদ্ৰ সীমা ৰেখাৰ তলত আছে তেওঁলোকৰ ভিতৰত কেইবাটাও শ্ৰেণী আছে। এই সীমাৰ তলত থকা লোক সকলক যি ধৰণে বস্তুৰ

দাম বাঢ়িছে আৰু বস্তু নোপোৱা হৈছে তেওঁলোকে সীমিত আয়েৰে পুষ্টিকৰ আহাৰ খোৱা দূৰৰ কথা ত্ববেলা ত্বমুঠি খাবলৈকে পাবলৈ নেপায়। আগতে কোন দিন বস্তুৰ দাম এইদৰে বাঢ়িছিল? ধান চাউলৰ ক্ষেত্ৰত কোন দিন উৎপাদন হোৱা নাছিল? আমাৰ ৰাজ্যত এই প্ৰথম দেখিবলৈ পাইছো ধান চাউলৰ কাৰণে হাহাকাৰ অৱস্থা হোৱা। চৰকাৰৰ ভুল নীতিৰ কাৰণেই আজি ধান চাউলৰ এনে ত্বৰ্ভিক্ষ হৈছে আৰু ৰাইজৰ মাজত সমান ভাবে বিতৰণৰ ক্ষেত্ৰত বেমেজালীৰ সৃষ্টি হৈছে। মুঠতে সংগ্ৰহ আৰু বিতৰণৰ ক্ষেত্ৰত অসম চৰকাৰ সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে। ফলত নানান সমস্যাৰ সৃষ্টি হৈছে, জনসাধাৰণৰ ধৈৰ্য্যৰ সীমা চেৰাই যোৱাৰ অৱস্থা হৈছে বিহাৰ আৰু গুজৰাটৰ অৱস্থা হবলৈ অসমত আৰু বেচি দিন নাই। ৰাজ্যত খাদ্যৰ এনে জটিল অৱস্থা হোৱা স্বত্বেও চৰকাৰ সচেতন হোৱা নাই, বহি আছে। গুৱাহাটীৰ বাহিৰে অসমৰ কোনো ঠাইত কোনো দিন আকাল নাছিল। ৰাইজে নিজে ধান চাউলৰ যোগান ধৰিব পাৰিছিল। সেইবিলাক ঠাইত আজি চৰকাৰে ধান সংগ্ৰহ কৰিবলৈ লোৱাত এতিয়া ধান-চাউল পাবলৈ নাই। চৰকাৰক এই বিধান সভাতে সকিয়াই দিয়া হৈছিল যে ধান-চাউলৰ দাম যথেষ্ট বাঢ়িছে কোনো ঠাইত মোনে ৫০ টকা ৬০ টকা লৈ উঠিছে। তেতিয়া যোগান মন্ত্ৰীয়ে কৈছিল ধান-চাউলৰ দাম বৃদ্ধি হোৱা চৰকাৰে নেজানে। চৰকাৰে জানেনে নেজানে সেইটো সময়ত ৰাইজে বিচাৰ কৰিব। যোৱা কালি বাতৰি কাগজত প্ৰকাশ হৈছে ডিব্ৰুগড়ত ধান-চাউলৰ কাৰণে হাহাকাৰ লাগিছে। ৰেচনৰ দোকানত চাউল নাই। অন্যান্য ঠাই যেনে—বৰপেটা নলবাৰী আৰু ধুবুৰীটো এই অৱস্থা হৈছে।

গতিকে চৰকাৰে এই ধান-চাউল সংগ্ৰহ কৰিলেই নহব যি ধৰণে চৰকাৰে দায়িত্ব লৈছিল যি ধৰণে প্ৰতিশ্ৰুতি দিছিল সেই ধৰণে যদি অতি শীঘ্ৰে ৰাইজক ধান-চাউল থিক মতে যোগান ধৰিব নোৱাৰে-তেতিয়াহলে আমাৰ ৰাজ্যত এনেকুৱা এটা পৰিস্থিতিৰ উদ্ভৱ হব যে যিটো পৰিস্থিতি চৰকাৰৰ কাৰণে দমন কৰাতো সম্ভৱপৰ নহব। উপাধ্যক্ষ মহোদয়, আজি এজন মানুহৰ জীয়াই থাকিবলৈ হলে অকল ধান-চাউল

বিটাৰ ওপৰতেই বা ভাত কিটা খাইয়েই জীয়াই থাকিব নোৱাৰে তাৰ কাৰণে আন কিছুমান বস্তুৰো অতি প্ৰয়োজন, কিন্তু আজি সেইবিলাক বস্তুয়ে৷ আজি আমাৰ ৰাইজৰ কাৰণে দুষ্প্ৰাপ্য হৈ পৰিছে আৰু ই এক বিলাসিতাৰ বস্তু হৈ পৰিছে। আগতে আমাৰ ৰাইজে সকলো খিনি যাৱতীয় বস্তুয়েই নিজে উত্পাদন কৰিলব পাৰিছিল আৰু সেই মতে 'বেলেন্সদ দাইয়েট' খাবলৈ সমৰ্থ হৈছিল, আজি কিন্তু সেই অৱস্থা আমাৰ কোনো ঠাইতেই নাই।

উপাধ্যক্ষ মহোদয়, আজি বহুদিনৰে আগৰে পৰা আমাৰ শিশু খাদ্যৰ অভাৱ হোৱা দেখা গৈছে, কোনো বস্তুয়েই বজাৰত নোপোৱা হৈছে, একেবাৰে অন্তৰ্দ্ধান হৈছে বুলি কলে বঢ়াই কোৱা নহব, অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি খিনি পৰিমানৰ শিশু খাদ্য পায় অৰ্থাৎ অসম চৰকাৰৰ কোটা আছে সেই খিনি পোৱাৰ পিচত কি ধৰণে বিতৰণ কৰা হব বা ব্যৱহাৰ কৰা হব তাৰ কোনো স্পষ্ট ছবি নাই। যোৱা চেপ্তেম্বৰ মাহৰ পৰা যি খিনি শিশু খাদ্য অসমৰ কোটাত আছিল সেই খিনি আজি পৰ্যন্ত পোৱা নাই। আমাৰ শিশু সকলক শাৰীৰীক আৰু মানসিকহিচাবে সবল কৰি তুলিবলৈ হলে আমাৰ শিশু সকলৰ স্বাস্থ্যৰ কাৰণে বিশেষ নজৰ দিব লাগে কিন্তু এই ক্ষেত্ৰত দেখা গৈছে চৰকাৰ একেবাৰে উদাসীন হৈ বহি থকা দেখা গৈছে। পুষ্টিকৰ খাদ্যৰ নামত লাখ লাখ টকা বছৰি বছৰি খৰচ কৰা হয় আৰু সেইমতে আমাৰ সমাজকল্যাণ মুলক অনুষ্ঠান আৰু যিবিলাক উন্নয়ন খণ্ড আছে সেইবিলাকৰ জৰীয়তে সেই খাদ্য বিতৰণ কৰাৰ কাৰণে আচঁনি লোৱা হৈছে।

কিন্তু বহুত ক্ষেত্ৰত আমি দেখিবলৈ পাইছোঁ যে যি উদ্দেশ্যে এই খাদ্য ব্যৱহাৰ হব লাগে সেই উদ্দেশ্যে ব্যৱহাৰ হোৱা নাই। কাগজ কলমত টকা খৰচ হৈ আছে বা অপচয় হৈছে, হয়তো কোনোবা লোকে সেইবিলাক আত্মসাৎ কৰিছে এনেধৰণে বহুত লোকচান হৈছে কিন্তু তাক ধৰাপেলোৱাৰ কাৰণে কোনো মেচিনাৰী নাই। উদাহৰণ স্বৰূপে নলবাৰী ঘগৰাপাৰত যিবিলাক উন্নয়ন খণ্ড আছে সেইবিলকে পুষ্টিকৰ খাদ্য যোগান ধৰা কথা আৰু সেই উদ্দেশ্যেই নাৰিকল তেওঁলোকে ৩০০ টা কিনিলে

১৫০ টকাত আৰু তাৰ কড়িয়াৰ বাবত খৰচ কৰিলে ৮০০ টকা, থিক তেনেকৈ যে আমাৰ পুষ্টিকৰ আহাৰ বিতৰণ কৰা হয় আমাৰ শিশু সকলৰ কাৰণে, এই বিলাকেই হ'ল নমুনা, সেই কাৰণেই আজি আমাৰ লৰা ছোৱালী বিলাকত ইনভেলিদ হৈ পৰিছে কিয়নো কোনো সময়তে আমাৰ শিশু সকলক পুষ্টিকৰ খাদ্য যোগান ধৰাত তৎপৰ হোৱা দেখা নাই।

আকৌ কিছুমান উন্নয়ন খণ্ডত এপলাইড নিউট্রিশ্যন-আচঁনি লোৱা হৈছিল কিন্তু সেইবিলাকৰ বেচিভাগতেই কেৱল কেলেংকাৰী দেখা যায়। উপাধ্যক্ষ মহোদয়, আজি যি উদ্দেশ্য এই টকা-পইচা বোৰ খৰচ কৰা হৈছে সেইবোৰ সেই উদ্দেশ্যত লগা নাই, গতিকে এই টকা-পইচাবোৰ ভাল মতে বিতৰণ কৰিবলৈ হলে আৰু তাক থিক মতে কাৰ্য্যকৰী কৰিবলৈ হলে এই আচঁনিবোৰত একোটা সুস্থ নীতি লব লাগিব যাতে অন্য উপায়ে সেই টকা-পইচাবোৰ বাহিৰলৈ ওলাই যাব নোৱাৰে আৰু অপচয় বন্ধ হয়।

আমাৰ বেচি ভাগ ঠাইত কি দেখিবলৈ পোৱা গৈছে আমাৰ লৰা-ছোৱালী বিলাকে উপযুক্ত পুষ্টিকৰ খাদ্যৰ অভাৱত নানা ধৰণৰ বেমাৰ আজাৰত ভুগিব লগীয়া হৈছে। আনকি দুবেলা দুমুঠি খাবলৈও হাহাকাৰ কৰিবলগীয়া হৈছে। কেতিয়াবা বাহিৰৰ পৰা অহা পাউদাৰ গাখীৰ বাফলমূলৰে আমাৰ লৰা-ছোৱালীয়ে জীয়াই থাকিব নোৱাৰে। মই ভাবো এই ক্ষেত্ৰত এনেকুৱা এটা ব্যৱস্থা কৰিব লাগে যাতে আমাৰ ৰাজ্যৰ বিভিন্ন উন্নয়ন খণ্ডতেই হওক বা অইন ঠাইতেই হওক এক নিৰ্দ্দিষ্ট পৰিমানৰ খাদ্য সম্ভাৰ ৰাখিব লাগে আৰু সেই খাদ্য যাতে আমাৰ ৰাজ্যৰ যি খিনি মানুহ আছে তেওঁলোকৰ যি সীমিত আয় তাৰ ভিতৰতে কিনিব পৰাকৈ বস্তুৰ দাম উৰ্দ্ধগামী হোৱাৰ পৰা বন্ধ কৰি পুষ্টিকৰ খাদ্য যোগান ধৰিব লাগে।

উপাধ্যক্ষ মহোদয় মই যোগান মন্ত্ৰীক এই কথাটো দাবি কৰি কও যে বৰ্ত্তমান পৰিস্থিতিত গোটেই অসমত খাদ্যৰ ক্ষেত্ৰত যিটো অভাৱ অনাটন হৈছে আৰু বয় বস্তু দাম যেনে ধৰণে বাঢ়িছে যে ইয়াৰ এটা ব্যৱস্থা লব নোৱাৰিলে আমাৰ ৰাজ্যখনে ভয়ংকৰ অৱস্থাত

সন্মুখীন হব লাগিব, ইতিমধ্যে আমাৰ ৰাজ্যত এইসম্পৰ্কে আলোড়ণৰ সৃষ্টি হৈছে। সেইকাৰণে উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান চলি থকা অৱস্থাৰ সন্মুখীন হব পৰাকৈ ৰাজ্যৰ সকলো শ্ৰেণী লোকৰ খাব পৰা জোৰাকৈ খাদ্য সম্ভাৰ মজুত ৰখাৰ কাৰণে দাবী কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী: উপাধ্যক্ষ মহোদয়, পুষ্টিকৰ খাদ্যৰ সম্পৰ্কত কবলৈ যাওতে মোৰ এটা কথালৈ মনত পৰিছে সেইটো হ'ল এই বিধান সভাতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে শিশু খাদ্য সম্পৰ্কে কৈছিল যে অসম ৰাজ্যৰ লৰা-ছোৱালী বিলাকে প্ৰকৃতিৰ মাজতেই ডাঙৰ দীঘল হৈছে গতিকে প্ৰকৃতিৰ হাৱা পানী খাইয়েই তেওঁলোক ডাঙৰ হব, এইটো আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ কোৱা কথা সেইকাৰণে মই ভাবিছো আজি এইযে যি ৯০ লাখ টকা খাদ্য আৰু পুষ্টিকৰ খাদ্যৰ কাৰণে খৰচ কৰিবলৈ মঞ্জুৰী বিচৰা হৈছে সেই টকাতো আমি খৰচ নকৰাকৈয়ে চলি যাব পাৰিম কিয়নো আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে আমাৰ লৰা-ছোৱালী বিলাকে প্ৰকৃতিৰ জল পানী আৰু হাৱা খাইয়েই জীয়াই থাকিব পাৰিব।

সেইকাৰণেই আজি এই অৱস্থাৰ পৰিপেক্ষিতাত মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো সমৰ্থন কৰিছোঁ।

আমাৰ নতুন কৃষি মন্ত্ৰীয়ে দুই বছৰ ধৰি কৈ আহিছে যে ধান আৰু ঘেহুৰ ক্ষেত্ৰত আমাৰ বাম্পাৰ কৰ্প হৈছে। যদি আমাৰ ধান আৰু ঘেহু বাম্পাৰ কৰ্পেই হৈছে তেনেহলে সেইবিলাক বস্তু এতিয়া কলৈ গল? আগতে চাউলৰ দাম ১.১২ পইচা, ১.১৫ পইচা আছিল কিন্তু এতিয়া সেই দাম গৈ আঢ়ৈ টকা তিনি টকা হৈছে। ইয়াৰ কাৰণ কি ইয়াৰ উত্তৰ কৃষি মন্ত্ৰীয়ে দিব পাৰিবনে? কৃষি মন্ত্ৰীয়ে আমাৰ বাম্পাৰ কৰ্প হৈছে বুলি কৈছে। চৰকাৰে ধান চাউলৰ ব্যৱসায় নিজৰ হাতলৈ আনিছে। ভাৰতবৰ্ষৰ কোনো ৰাজ্যৰ মুখ্য মন্ত্ৰীয়েই ধান চাউলৰ ব্যৱসায় নিজৰ হাতলৈ আনিবলৈ সাহস নকৰিলে। তেনে অৱস্থাত অসমৰ মুখ্য মন্ত্ৰীয়ে দিল্লীত গৈ অকলে অসমে ধান চাউলৰ ব্যৱসায় নিজৰ হাতলৈ

আনিব বুলি ঘোষণা কৰিলে আৰু তাৰ লগে লগে বাহিৰৰ বাতৰি কাকত বিলাকে মন্তব্য দিলে Assam is the only State, Assam is Chief Minister is the only Chief Minister who has shown guts to take over the rice trade আমি সেই সময়ত ভাল পাইছিলো। আমি গৌৰৱ অনুভৱ কৰিছিলো যে অসমৰ ন'ম বাহিৰত ওলাইছে আৰু মুখ্য মন্ত্ৰীয়ে এই ক্ষেত্ৰত যথেষ্ট সাহস দেখুৱাইছে। একচেতীয়া ব্যৱসায় চৰকাৰে লোৱাৰ পিচত এতিয়া ধান চাউলৰ অৱস্থা কি হৈছে? মই যোৱা কালি বকোলৈ গৈছিলো। বকো অঞ্চলটো অসমৰ ভিতৰতেই ৰাহি অঞ্চল। এই অঞ্চলত চাউলৰ দাম মানুহে আঢৈ টকা ৩ টকা দি কিনিব লগীয়া হৈছে। বকো বজাৰত চাউলৰ দাম হৈছে আঢৈ টকাৰ পৰা তিনি টকা। যিবিলাক আচলতে বেয়া চাউল। এতিয়া মই সুধিব খুজিছো যে ধান চাউলৰ ব্যৱসায় চৰকাৰৰ হাতলৈ অনাৰ ফলত দুখীয়া ৰাইজে কিয় দুৰ্ভোগ ভোগীব লগীয়া হৈছে। গতিকে চৰকাৰে ধান চাউলৰ দামৰ সম্পৰ্কত চিন্তা কৰিবৰ সময় হল।

তৃতীয় কথা হৈছে অকল ধান চাউলৰ কথাই নহয়, প্ৰত্যেক বিলাক নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ দাম বাঢ়িছে। এই বৰ্ধিত দামৰ কাৰণ যদি সোধা যায় তেখেতে হয়তো উত্তৰ দিব যে অসমতেই কিয় গোটেই ভাৰত-বৰ্ষতেই বস্তুৰ দাম বাঢ়িছে। এইটোৱেই হব যোগান মন্ত্ৰীৰ পেটেণ্ট ৰিপ্লাই। আজি যিবিলাক ব্যৱসায়ী আছে যিবিলাক মিডল মেন আছে সেই বিলাকৰ হাতৰ পৰা চৰকাৰে নিজে বিশেষকৈ খাদ্য বস্তু নিজৰ হাতলৈ আনিছে। তেনেস্থলত চাউলৰ বাহিৰে কিমান বস্তু চৰকাৰে মানুহক দিব পাৰিছে? আজি ফাচি বজাৰত যিবিলাক ব্যৱসায়ী আছে তেওঁলোকে উত্তৰ প্ৰদেশ, বিহাৰ হাৰিয়ানা, ৰাজস্থান আদিৰ পৰা অন্য বস্তু আনি অসমত দিলেহে সেই বিলাক বস্তু চৰকাৰে ৰাইজক দিব পাৰিব। ৰহৰ, মচুৰ, বুট দাইল আদিৰ ক্ষেত্ৰত বিহাৰ ৰাজস্থান আদিৰ পৰা "বোক" কৰিব লাগিব আৰু সেই বিলাক আনিবলৈ যদি ৰেলৰ ওৱেগন পায় তেতিয়াহলেহে অসমলৈ সেই বিলাক বস্তু আনিব পাৰিব এয়ে হৈছে অসমৰ অবস্থা।

নিমখৰ ক্ষেত্ৰত, উপাধ্যক্ষ মহোদয়, আজি এটা কেলেংকাৰীৰ সৃষ্টি হৈছে। যোগান মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে দুজন ব্যৱসায়ীয়ে দুটা নিমখৰ ওৱেগন আনিছে আৰু তেওঁলোকক যি নিমখ দিবলৈ চৰকাৰে হুকুম দিছে। কিন্তু দুখৰ বিষয় এই চৰকাৰী হুকুমৰ ওপৰত হাইকোৰ্টৰ ইংজাংচন হোৱাৰ ফলত এই নিমখ অনা বন্ধ কৰিছে। ইষ্টান কৰ্ট নিমখৰ দাম বেচি আছিল আৰু ওৱেষ্টৰ্ণ কৰ্টত নিমখৰ দাম কম আছিল। এই দৰেই প্ৰত্যেক ক্ষেত্ৰতেই অসম চৰকাৰে ব্যৱসায়ীৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। তেওঁলোকে যদি অসমৰ বাহিৰৰ পৰা বস্তু আনি দিয়ে তেনেহলে অসমৰ ৰাইজে খাবলৈ পাব নহলে অসমৰ ৰাইজে খাবলৈ নাপায়। গতিকে ৰেচন কাৰ্ডত যিবিলাক বস্তু দিব বুলি চৰকাৰে কৈছিল সেই বিলাক বস্তুও চৰকাৰে ৰাইজক দিব পৰা নাই। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে তেওঁলোকৰ সংগ্ৰহৰ লক্ষ্য যদি একচিদ কৰিছে তেনেহলে ধান চাউল, ঘেহু এই তিনিটা বস্তুৰ চলাচল উঠাই দিয়াত বাধা কি? অসমৰ চৰকাৰে ঘোষণা কৰিছে যে ধান চাউলৰ লক্ষ্য অতিক্ৰম কৰিলে তেনেহলে এই ধান চাউল ঘেহু বিভিন্ন জিলালৈ চলাচল কৰাত অসুবিধা কি থাকিব পাৰে যদিহে সীমান্তৰ চকি বিলাকৰ সংৰক্ষণৰ ব্যৱস্থা কটকটীয়া কৰিব পাৰে। মঙ্গলদৈত চহৰত ১.৯০ পইচা ২.০০ টকাকৈ চাউল বিক্ৰী হৈছে। সেই একে চাউল গুৱাহাটীত আহি তিনি টকা হৈছে। মঙ্গলদৈ, উত্তৰ লক্ষীমপুৰ, ধেমাজিত যি চাউল ১.৭৫ পইচাকৈ বিক্ৰী হৈছে সেই চাউলৰ দাম গুৱাহাটীত তিনি টকা হৈছে। সেই চাউল গুৱাহাটীত বিক্ৰী কৰিব পাৰিলে ৰাইজৰ সুবিধা নহলনে? মই কব বিচাৰিছো যে ইনটাৰ ডিচট্ৰিকট মজমেণ্টতো অন্ততঃ এক মাহ খুলি দি চাওক দেখিব সকলো বিলাক বস্তুৰ দাম আগৰ পৰ্য্যায়লৈ আহিছে। এনে কৰিলেই ৰাইজে আকৌ চাউল পাব।

চেনিৰ সম্পৰ্কত ব্যৱসায়ী বিলাকে তেওঁলোকক এলোমিনেট কৰা বুলি কৈছে। কাৰণ অকল এফ চি আয়েহে চেনি আনিব পাৰে। ইয়াৰ কাৰণে ব্যৱসায়ী সকলে মাজতে যি লাভ কৰে সেই লাভ বন্ধ কৰি দি ভাৰতীয় খাদ্য নিগমক এই দায়িত্ব দিয়া হৈছে। কিন্তু এফ চি

আইৰ মৰ্জিৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছে। কাৰণ এফ চি আয়ে যদি এই চেনি নানে অথবা বাহিৰত তেওঁলোকে বিক্ৰী কৰি দিলেও সেইটো চৰাৰ কোনো উপাই নাই। এফ চি আয়ে যি কয় সেয়ে। আজি ফেয়াৰ প্ৰাইচ চপ বিলাকত ট্ৰাউনত বাস কৰা শিক্ষিত মানুহ বিলাকে যি চিঞৰ বাখৰ কৰিব পাৰে তেওঁলোকে ১০০ গ্ৰাম ২০০ গ্ৰামচেনি পায় আজি দুই মাহ মান ধৰি এই দৰেই চেনি পাই আহিছে। কিন্তু মাঘৰ বিহুৰ সময়ত তাকো পোৱা নাছিল। আজি চহৰ বিলাকক বাদ দি গাওঁ বিলাকত এই চেনিৰ অৱস্থা কি হৈছে সেইটো চাবলগীয়া কথা গাওঁ বিলাকত চেনি ঔষধৰ দৰে হৈছে। গাওঁ বিলাকত লেভি চেনি আৰু মুকলি বজাৰৰ চেনিৰ লগত একো পাৰ্থক্য নাই। তেওঁলোকে ৫.৬ টকাকৈ চেনি কিনিব লগীয়া হৈছে। অসম চৰকাৰে চেনিৰ যোগান দিব নোৱাৰাৰ কাৰণে এক শ্ৰেণীৰ ব্যৱসায়াৰ সৃষ্টি কৰিছে সেই শ্ৰেণীটো হৈছে ইবিলাকৰ ওপৰিও খাদ্য নিগম। ইয়াৰ উপৰিও যি বিলাক বস্তু ভাৰতীয় খাদ্য নিগম বা এপেক্স মাৰকেটিঙে সংগ্ৰহ কৰিছে সেই বিলাক বস্তু ঠিক মতে বিতৰণ হৈছেনে নাই সেইটোও চাবলগীয়া হৈছে। খাদ্য নিগমে চেনি আনিছে। এই চেনি অনা নিয়াৰ ক্ষেত্ৰত গুৱাহাটীত, এজন চাপ্লাই ইন্সপেক্টৰে এখন ভুৱা পাৰমিট দি ভোৱা দোকান এখনৰ নামত ১৫ বেগ চেনি নিখোজ কৰিছে। এই ১৫ বেগ চেনিৰ দাম প্ৰায় চাৰে ৭৩ হাজাৰ টকা।

আচৰিত কথা কেনেকৈ বিতৰণ কৰিছে কোনেও নাজানে। মাননীয় উপাধ্যক্ষ মহোদয়, যোগান, সংগ্ৰহ বিতৰণ আৰু উতপাদন এই চাৰিটা বস্তু যদি একেলগে নহয় তেন্তে অসমীয়া ৰাইজক খাদ্য বস্তু যোগান ধৰিব নোৱাৰিব। ফলত ৰাইজে কচু, শেলুক, আলু আদি খাই জীয়াই থাকিব লাগিব। পুষ্টিকৰ খাদ্য সংক্ৰান্তত আমাৰ শ্ৰীতালুকদাৰ ডাঙৰীয়াই কৈ গৈছে। পুষ্টিকৰ খাদ্যৰ কাৰণে চৰকাৰে আচনি কৰিছে ইয়াত কেন্দ্ৰীয় চৰকাৰৰ পৰাও টকা আছে আৰু আমাৰ চৰকাৰৰ তৰফৰ পৰাও টকা ধৰা হয়। এই আচনি কাৰৰ উদ্দেশ্য হল কন কন লৰা

ছোৱালীক খাদ্য যোগান ধৰা আৰু স্বাস্থ্যহীন আদি অসুস্থ লোকক খাদ্যৰ যোগান ধৰা। মই অন্য ঠাইৰ কথা নকওঁ গুৱাহাটীত যি কেইখন আচনি আছে তাতৈ চালে গম পাব এই আচনি কেনে দৰে চলিছে। খাদ্যৰ অভাবৰ কাৰণে গুৱাহাটীৰ অভাৱগ্ৰস্ত মাকে কেচুৱাক মাৰিছে আৰু মঙ্গলদৈত হাস্পাতালৰ পৰা মাকে কেচুৱা লৈ গৈ ৰাস্তাত দলংত লৰা পেলাই দি কেচুৱা নোহোৱাকৈ ঘৰলৈ গুচি গৈছে। তেওঁৰ নিজৰ গাখীৰ খোওৱাটো সম্ভৱ নাইয়েই আনকি অন্যান্য বস্তুও খোৱাব নোৱাৰে। আজি আমাৰ প্ৰত্যেক জিলাৰ অৱস্থা বৰ দুখ লগা। গতিকে ইয়াত ইমান টকা খৰচ কৰাৰ কোনো আৱশ্যক নাই। সেই কাৰণে মই কৰ্তন প্ৰস্তাবটো সমৰ্থন কৰিছো।

শ্ৰীকহোৰাম হাজৰিকা: মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুষাৰ কব বিচাৰিছো। বৰ্তমান আমাৰ ৰাজ্য খনত এক জৰিল পৰিস্থিতিৰ উদ্ভব হৈছে। খাদ্যৰ অভাবত আমাৰ ৰাজ্যখনৰ মাক বাপেকে নিজৰ লৰা ছোৱালীক বিক্ৰি কৰিছে। টেটুত চেপি লৰা ছোৱালীক মাৰিছে। খাবলৈ নাপাই মৰাৰ সংখ্যা মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই দসনত তেখেতৰ ভাষন-প্ৰসঙ্গত দাঙি ধৰিছে। আমাৰ ৰাজ্য খন এখন কৃষি প্ৰধান দেশ। এনে এখন দেশত খাদ্যভাব হোৱাটো অতি ডাঙৰ কথা। এই বছৰ খাদ্য উতপাদন চৰকাৰী হিচাব মতে ভাল নহলেও বেয়া নহয়। গতিকে খাদ্য পৰিস্থিতি এটা স্বাভাবিক অবস্থালৈ আনিব নোৱাৰাটো চৰকাৰৰ ব্যৰ্থ তাৰ বাহিৰে আন একো নহয়। উপাধ্যক্ষ মহোদয়, এইটো কথা আমি সকলোৱে জানো যে চৰকাৰে ধান চাউলৰ পাইকাৰী গহন কৰিছে। এই পাইকাৰী ব্যৱসায় গ্ৰহন কৰাত জল উপদল, তথা সমগ্ৰ অসমৰ জনসাধাৰণে সমৰ্থন আগবঢ়াইছে। জনসাধাৰণে আশা কৰিছিল যেতিয়া চৰকাৰে পাইকাৰী ব্যৱসায় নিজৰ হাতলৈ নিছে অন্তত দুখীয়া খেতিয়কে সস্তীয়া চাউল এমুঠি খাবলৈ পাব। অকল সংগ্ৰহ কৰিলেই নহয় বিতৰণ ব্যৱস্থাও ভাল হব লাগিব। আমাৰ চৰকাৰে যি খিনি সংগ্ৰহ কৰাৰ লক্ষ্য কৰিছিল সেই লক্ষ্যত উপনীত হৈছে আৰু ক্ৰমে ক্ৰমে আৰু বেচি

সংগ্ৰহ কৰাৰ পথত আছে। এতিয়া মাৰ্চ মাহৰ শেষ পাইছে হ। এই সময়তে সকলো ঠাইতে ধানৰ দাম অতিমাত্ৰাই বাঢ়ি গৈছে। নগাও মহকুমাত ২'৩ পইচা পাইছেহি। আনহাতে আমাৰ চৰকাৰ নীৰৱ দৰ্শক, নিষ্ক্ৰিয় হৈ বহি আছে। গতিকে সংগ্ৰহ কৰাৰ লগে লগে বিতৰণ ব্যৱস্থাও কৰিব লাগে। চৰকাৰে এতিয়া কম পৰিমাণৰ চাউল যোগান ধৰাৰ ফলত লাভখোৰ বেপাৰি সকলে অতিৰিক্ত পইচা লৈ আমাৰ গৰীব জনসাধাৰণ পৰা পইচা আদায় কৰিছে। আমাৰ জনসাধাৰণক প্ৰাপ্ত বয়সীয়া সকলৰ কাৰণে চাৰে তিনি কিলো চাউল দিব লাগে। আমাৰ গাবে ভুৰে আটা ময়দা পাবলৈ নাই। যদি এই ক্ষেত্ৰত লেভি নবহুৱায় তেন্তে এই ব্যৱস্থা কৃতকাৰ্য্য নহব। এতিয়া ঘেহুৰ ব্যৱসায়টো চৰকাৰে এৰি দিয়াটো উচিত হব নে নহয় সেই বিষয়ে বহুতে উকালতি কৰিছে। পাইকাৰী ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ অনাত ৰাইজে ভাবিছিল চৰকাৰে সস্তা মূল্যত ধানৰ যোগান ধৰিব আৰু লাভখোৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিব নালাগিব। যদি এতিয়া পাইকাৰী ব্যৱসায় এৰি দিয়া হয় তেন্তে আমাৰ দেশত মাৰাত্মক অবস্থাৰ সৃষ্টি হব। বিহাৰ গুজৰাট আদিৰ দৰে অবস্থা হব। আমাৰ দেশত বস্তুৰ দাম বাঢিছে আৰু চৰকাৰ নীৰৱ দৰ্শক হৈ বহি আছে। যদি চৰকাৰে ইয়াৰ ব্যৱস্থা নকৰে তেন্তে আমাৰ দুখীয়া সকলৰ জীৱনৰ মানদণ্ড গৰা খহনীয়াৰ দৰে খহিবলৈ আৰম্ভ কৰিব। আজি আমাৰ দেশত অসন্তোষৰ সৃষ্টি হৈছে এই বয় বস্তুৰ দাম বঢ়াৰ কাৰণে কৰত তাক চাই ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি আমাৰ জনসাধাৰণক পুষ্টিকৰ খাদ্য দিয়াৰ কথাই নাই। আগতে আমাৰ লৰা ছোৱালীয়ে ভীমকল গাখীৰ খাই জীয়াই আছিল। আমাৰ দেশৰ শতকৰা ৭৪ জন মানুহ গৰীব। তেওঁ-লোকৰ পুষ্টিকৰ খাদ্যৰ অভাবত অসুস্থ হৈ পৰিছে। সেই কাৰণে ভাৰত চৰকাৰৰ ফালৰ পৰা পুষ্টিকৰ খাদ্যৰ আচনি লৈছে। মোৰ মতে ই এক ভেকো ভাওনা। আমাৰ লৰাক বুট বাদাম আদি তিয়াই খাবলৈ দিয়া হয়। এই বিলাকহলে পুষ্টিকৰ খাদ্য। গতিকে এই ভেকোভাওনা বন্ধ কৰিব লাগে। চৰকাৰে আমাৰ দেশৰ লৰা ছোৱালীক পুষ্টিকৰ খাদ্য

যোগান ধৰিবৰ কাৰণে যত্ন কৰিব লাগে। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰয় প্ৰধানী :- উপাধ্যক্ষ মহোদয়, খাদ্য আৰু পুষ্টিকৰ খাদ্যৰ বিষয়ত যিটো প্ৰস্তাৱ আহিছে সেইটো মই সমৰ্থন কৰি দুষাৰ কথা কব বিচাৰিছো। খাদ্য আৰু তাৰ ওপৰত পুষ্টিকৰ খাদ্য লগ লগাই চৰকাৰে কিছু ভালেই কৰিলে কিন্তু পুষ্টিকৰ খাদ্য কেইজনে খাবলৈ পাইছে? যিসকল আজি দৰিদ্ৰ সীমাৰেখাৰ তলত আছে সেইসকলৰ লৰাছোৱালীয়ে পুষ্টিকৰ খাদ্য খাবলৈ নেপোৱাৰ বাবে দায়ী কোন? কেন্দ্ৰীয় চৰকাৰে টকা দিয়ে অসম চৰকাৰে খৰছ কৰে মই ইয়াৰ এটি নমুনা দিওঁ আমাৰ গাওঁ অঞ্চল বিলাকত যিবিলাক বি, ডি, অ’ বা তেনে ধৰণৰ অফিচাৰ আছে সেইসকলে কি কৰে? মই মন্ত্ৰীৰ লগত চেলেঞ্জ কৰি কৈছো আজি বি, ডি, অ’ সকল দুৰ্নীতিৰ চূড়ান্ত সীমা অতিক্ৰম কৰিছে। তেওঁলোকক ৰখা হৈছিল চৰকাৰক সহায় কৰিবৰ বাবে। কিন্তু তেওঁলোকে চৰকাৰক ফাকি দি খাই আছে। ইয়াৰ পৰা এইটোকে বুজা যায় যে ছাগলীৰ নামত বাঘক ৰখীয়া পাতিছে। লিষ্টত আছে ডাঙৰ ডাঙৰ বিস্কুটৰ পেকেত ধুনীয়া ধুনীয়া আপেল আৰু নাচপতি। কিন্তু কৰবাত যদি আপেল নাচপতি দিছে সিও একেবাৰে পচা, গেলা; যিটো গেলি-পচি অখাদ্য হৈ পৰিছে। এইবিলাক কথা অডিট ৰিপৰ্টত ধৰা পৰিছে। তাৰোপৰি ডাল্ডা চাপ্লাই দিছে—খাতি ঘিউৰ নামত। আচৰিত কথা এদিন এজনি প্ৰফেচাৰিণীয়ে ঘিউ অনা দেখি কিনিছিল আৰু তাত ধৰা পৰিছে যে ঘিউৰ নামত ডাল্ডা বিক্ৰি কৰা হৈছে আৰু এই কথা অডিটৰে ৰিপৰ্টত নোট কৰি ৰাখিছো। এনে এটা দুৰ্যোগৰ সময়ত ভাতৰ কথা ভাবিবই নোৱাৰি অথচ বাকীবিলাকতো কেৱল ভেজাল আৰু ভেজাল। গোলোকগঞ্জত এই পুষ্টিকৰ খাদ্য বিতৰণৰ চেণ্টাৰ আছে। কিন্তু এই পুষ্টিকৰ খাদ্যৰ নামত যিবিলাক অফিচাৰে টকা লৈ আছে সেইসকলে কেৱল ৰাইজকে ফাকি দিয়া নাই চৰকাৰকো ফাকি দিছে। খাদ্যৰ নামত মাত্ৰ ৫।৬ টকা খৰছ কৰে- বাকী সকলোবিলাক আত্মসাৎ কৰে।

মই কেইটামান ব্লকত দেখিছো—প্ৰত্যেক দুখীয়া লৰা-ছোৱালীৰ বাবে অহা টকা পইছাবিলাক যদি তেনেকৈ আত্মসাত কৰে তেতিয়াহলে তাৰ সমান অধম আৰু কোনো নাই। এনেহেন খাবলৈ নোপোৱা অৱস্থাত আৰু অভাবৰ কালত যদি চৰকাৰে বিনামূলীয়া খাদ্যৰ ব্যৱস্থা কৰিলেহেতেন তেনেহলে কোনো মাননীয় সদস্যই এই কৰ্ত্তন প্ৰস্তাৱ নানিলে হেতেন। আজি গোটেই অসমত পুস্তিকৰ খাদ্যৰ বাবে ৩ কোটি টকা খৰছ কৰিছে—কিন্তু তাৰ বিনিময়ত কেইজনে পুষ্টিকৰ খাদ্য খাবলৈ পাইছে? গতিকে এই টকা কোনোবাই যদি আত্মসাত কৰিছে বা কোনোবা অফিচাৰে নিজৰ কামত উৰাইদিছে তেনেহলে তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি নথকাতো বৰ দুখৰ কথা অন্ততঃ চৰকাৰৰ ফালৰ পৰা প্ৰত্যক্ষ দৃষ্টি ৰাখিবলৈ ভাবি চাব লাগে। তাৰ পাছত মন্ত্ৰীমহোদয়ে কৈছে খেতিয়কে পচা চাউল সৃষ্টি কৰিছে কিন্তু ধান যদি পচা নহয় তেনেহলে চাউল কেনেকৈ পচা ওলাব পাৰে। আজি খেতিয়কক সাৱধান কৰি দিছে যাৰ ধান চাউল পচা হব তেওঁক জেইলত দিয়া হব কিন্তু আজি মিল মালিকসকলে বা মজুতকাৰীসকলে যে ধান চাউল মজুত কৰি ৰাখি পচাই দিছে তাৰ বাবে তেওঁলোকক জেইলত দিয়াৰ কথা চৰকাৰে ভাবিব পাৰিছেনে? এই মিল মালিক সকলক জেইলত দিয়াটো চৰকাৰৰ পক্ষে বৰ টানকথা।

কাৰণ খেতিয়কক জেইল দিয়া বৰ বেছি টান কথা নহয়, মিল মালিক সকলক জেইল দিলে আৰু তেওঁলোকৰ কথা কাগজে-পত্ৰই লিখিলেহে কাৰোবা কাৰোবাৰ দুখ লাগিব। আমাৰ গৌৰী পুৰলৈ অলপতে যি চাউল গৈছিল সেয়া আছিল আহু চাউল, কিন্তু আছিল আলি ধানৰ সময়। সেই চাউল মই নিজ চকুৰে চাই আহিছো। অৱশ্যে লগে লগে ৰিপৰ্ট দিয়াত সেই চাউল বদলাই দিলে। কিন্তু প্ৰশ্ন হৈছে কিয় শালি ধানৰ বতৰত আহু চাউল দিয়া হয়? আৰু যি সময়ত আহু ধানৰ বতৰ আছিল অৰ্থাত আগষ্ট চেপ্তেম্বৰ মাহত সেই চাউল বিতৰণ কৰি কিয় শেষ নকৰি জমা কৰি ৰাখি পচোৱা হল। সেই চাউলৰ নমুনা এনেকুৱা আছিল যে ভাল ভাল কৃষকে সেই চাউল

গৰুকো নুখুৱাই। ইয়াতকৈ আৰু লাজৰ কথা এই চৰকাৰৰ আন কিবা আছে নে? যি চৰকাৰে আজি এক লাখ দেৰ লাখ মানুহৰ প্ৰশাসন লৈ শাসনৰ গাদীত বহিছে. যি চৰকাৰৰ দিনত আজি প্ৰশাসন কেনেবে চলাকৰ পাৰে, যি চৰকাৰৰ দিনত প্ৰশাসন এখন টেবুলতে বহি চলাব পাৰে সেই চৰকাৰৰ প্ৰশাসন আজি কিয় এনে হৈছে? আজি এই চৰকাৰৰ দিনত মানুহৰ এনে কিয় দুৰবস্থা হৈছে? আজি এনে ডেমক্ৰেচি হোৱা উচিত যি ডেমক্ৰেচিৰ দিনত মানুহে এমুঠি ভালকৈ খাবলৈ আৰু এখন ভালকৈ পিন্ধিবলৈ পায়।

যি নিমখৰ কাৰণে মহা মানৱ মহাত্মা গান্ধীয়ে আন্দোলন কৰিছিল সেই নিমখৰ দাম আজি এটকা হৈছে আৰু দাম দিলেও পাবলৈ নোহোৱা হৈছে। যি এশ নওৱাগন নিমখৰ চাপ্লাই দিয়া হৈছে সেই নিমখে হজম আৰু বদহজম দুয়োটা কামকে কৰে যাৰ ফলত মানুহৰ কলেৰা আৰু ডায়েৰীয়া হব ধৰিছে। এনেধৰণৰ বহুতো কথা এই সদনৰ বহুতে জানে, কিন্তু প্ৰচাৰ কৰিলে বেয়া হয় বুলি প্ৰচাৰ নকৰে। এনে ধৰণৰ দুৰ্ঘটনাবোৰ সদায় পৰ্দাৰ আঁৰত ঘটি থাকে। খাদ্যৰ নামত এনেধৰণৰ কথাবোৰ সঁচাকৈ লাজৰ কথা হৈ পৰিছে। এই চৰকাৰে হিমালয় পাহাৰত গৈ সন্যাসী হোৱাই বেছি ভাল হব। কামৰ প্ৰতিশ্ৰুতি দি যি চৰকাৰে ৰক্ষা কৰিব নোৱাৰে সেই চৰকাৰে গাদী এৰি দিয়া উচিত। ইলেকশ্যনত হাৰিলে জিকিলে যেনে এটা উপলব্ধি হয় সেই দৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰিলে তেনেকুৱা উপলব্ধি হোৱা উচিত

(ধ্বনী-আপুনি হাৰিছে নে নাই)

মই হাৰিছো আৰু জি কিছোওঁ দুয়োটাৰে অভিজ্ঞতা আছে। আজি মন্ত্ৰী সকলৰ সেই উপলব্ধি নাই। আজি মন্ত্ৰী সকলে হয় সুদৃঢ় শাসন ব্যৱস্থা কৰক, নহয় শাসনৰ গাদী এৰি দি সন্যাসী হওক। মই আজি চৰকাৰক সুধিব খুজিছো যে দেশৰ কাৰণে আমাৰ আইন নে আইনৰ কাৰণে দেশখন? যদি আইনৰ কাৰণে আমাৰ দেশ হয় তেন্তে এই আইনৰ দ্বাৰা একো শাসন আমাৰ দেশত হব নোৱাৰে। আইনখন সুস্থ ভাবে আৰু জনসাধাৰণৰ সুবিধাৰ বাবে আৰু সুখৰ বাবে

তৈয়াৰ কৰক যি আইনত মানবতা নাই, যি আইনত মানুহক মানুহ হিচাবে গন্য কৰা নহয় সেই আইন কেতিয়াও জনপ্ৰিয় আইন হব নোৱাৰে। যি মানুহে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব নোৱাৰে সেই মানুহ কেতিয়াও ৰাজনৈতিক দলত নামিব নালাগে। মানুহে যি কামকেই নকৰক এটা সুদৃষ্টি থাকিব লাগে। খাদ্যৰ নামত দেশ খনত আজি কি চলিছে? মন্ত্ৰী হোৱাৰ লগে লগেই সকলো পাহৰি যায়। আজি আমাৰ দেশৰ শাসন ব্যৱস্থা নিয়তিৰ গতিত চলিছে। গতিকে মানুহে আজি এনে দুৰ্ভোগ ভুগিব লগা হৈছে হয় আমাৰ চৰকাৰে আমাৰ শাসন ব্যৱস্থা কটকটীয়া কৰক নহয় সন্যাসী হৈ গাদি এৰি থেয়াওক। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই মই সামৰণি মাৰিছো।

শ্ৰীমতী আনন্দী বালা ৰাভা :- উপাধ্যক্ষ মহোদয়, খাদ্য আৰু পুষ্টিকৰ আঁচনিৰ শিতানত যি ৯১ লাখ ৩২ হেজাৰ টকাৰ মঞ্জুৰী মন্ত্ৰী মহোদয়ে বিচাৰিছে সেই টকাৰ প্ৰতি মই সমৰ্থন জনাই দুআষাৰমান কথা কবলৈ বিচাৰিছো। আমাৰ ৰাজ্যখনত যে কিছুপৰিমানে খাদ্যৰ সংকট হৈছে সেই কথা আমি নুই কৰিব নোৱাৰো। খাদ্য নাটনি দূৰ কৰিবৰ কাৰণে চৰকাৰে সমবায় সমিতি জড়িয়তে খাদ্য সংগ্ৰহ কৰি কেনেকৈ দেশত ভেজালহীন খাদ্য বিতৰণ কৰিব পাৰে, দেশখনত যিখিনি খাদ্য বস্তু সংগ্ৰহ হৈছে সেই খিনি কেনেকৈ ঠিক সময়ত বিতৰণ কৰিব পাৰে আৰু তাৰ জড়িয়তে এনেকৈ নিবনুৱা সমস্যা কিছু পৰিমাণে সমাধান কৰিব পাৰে তাৰ চেষ্টা চলাই আহিছে। আৰু অসম চৰকাৰে ধান চাউলৰ পাইকাৰী ব্যৱসায় নিজৰ হাতত লৈছে। এইটো কথা অৱশ্যে স্বীকাৰ কৰিব লাগিব যে চৰকাৰে পাইকাৰী ব্যৱসায় হাতত লোৱাৰ লগে লগে এক শ্ৰেণী প্ৰতিক্ৰিয়াশীল শক্তিয়ে কেনেকৈ চৰকাৰৰ এই সমবায় সমিতিৰ ব্যৱসায়টো কলুষিত কৰিব পাৰি আৰু কেনেকৈ অশান্তিমূলক ধাৰণা জগাই তুলিব পাৰি তাৰ চক্ৰান্ত কৰিছে যাতে যিবিলাক খাদ্য সামগ্ৰী চৰকাৰে সস্তীয়া মূল্যত বিতৰণ কৰিব পাৰে কৰে সেইবিলাক যাতে নিৰ্দিষ্ট সময়ত,

নিৰ্দিষ্ট ঠাই নাপাইগৈ তাৰ প্ৰচেষ্টা চলাইছে। এনে কাৰ্য্যৰ ফলতেই আজিয়ে ঠায়ে ঠায়ে ঠিক সময়ত চৰকাৰে এলটমেণ্ট দিয়া স্বত্বেও নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট ঠাইত বিতৰণ কৰিবলৈ সক্ষম হোৱা নাই। সেইকাৰণে মই চৰকাৰৰ ওচৰত এটা অনুৰোধ কৰিব খুজিছো, সেইটো হৈছে চৰকাৰে যি পাইকাৰী ব্যৱসায় হাতত লৈছে যি খাদ্য সম্ভাৰ ৰাইজৰ মাজত সস্তাত বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে সেই ব্যৱস্থা অতি কটকটীয়া কৰিব লাগে। আৰু যি বিলাক ফুদ টেক চাপ্লাই কমিটি চাবডিভিজনত পাতি দিছে সেই কমিটিৰ বিষয়া সকলৰ লগত আৰু মহকুমাধিপতি সকলৰ এনেধৰণেৰে দায়িত্ব দিব লাগে যাতে কোনো ব্যৱসায়ীয়ে খাদ্য সামগ্ৰী দুৰ্নীতিমূলক ভাবে চলাব নোৱাৰে আৰু আমাৰ চৰকাৰে যি খিনি এলটমেণ্ট দিয়ে বিভিন্ন ঠাইত সেইখিনি যাতে ঠিক ঠিক সময়ত ঠিক ঠিক ভাবে বিতৰণ কৰিব পাৰে।

উপাধ্যক্ষ মহোদয়, যাৰ কাৰণে এই খাদ্য সংকটটোৰ পৰা হাত সাৰিব পাৰিব। মহোদয়, আমাৰ গোৱালপাৰা মহকুমাতে পাইকাৰী ব্যৱস্থা চৰকাৰে হাতত লোৱাৰ পিছত, মই নিজে দেখা মতে গোৱালপাৰা মহকুমাত যিখিনি চেনি ৰাইজে পাব লাগে, সেই চেনি জানুৱাৰী, ফ্ৰেব্ৰুৱাৰী শেষ হৈ গল তথাপিও নাহিল। আৰু চেনি নিবলৈ অহা লোকসকলৰ মাজত বিতৃষ্ণাৰ সৃষ্টি হল। ফ্ৰেব্ৰুৱাৰী মাহত আৰু মাৰ্চ মাহত যিবিলাক চেনি এলটমেণ্ট দিয়া হৈছে, সেই খবৰটো একমাত্ৰ কাগজতেহে গৈ পাইছেগৈ, কিন্তু পিজিকেলি চেনি গৈ পোৱা নাই। গো-ডাউনৰ পৰা চেনি দিয়া নাই। এইবিলাক বিষয়ে বিতং ভাবে অনুসন্ধান নকৰি অন্ততঃ মুখ্য মন্ত্ৰী আৰু যোগান মন্ত্ৰী ডাঙৰীয়াই যেন এটা ভাল অনুসন্ধান চলায়।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিছত মই পুষ্টিকৰ খাদ্যৰ বিষয়ে দুষাৰ কবলৈ আগবাঢ়িলো। পুষ্টিকৰ খাদ্যৰ আচনি অতি উত্তম আচনি। এই পুষ্টিকৰ খাদ্য আচনিত এক শ্ৰেনীৰ দুৰ্ব্বল লোকক, সম্ভাব্য মাতৃক আৰু শিশু সকলে যাতে ঠিকমতে খাদ্য পায়, সেইটো চোৱা হব বুলি কৈছে। কিন্তু আচনিমতে আজি আমাৰ এই লোক সকলক

পুষ্টিকৰ আহাৰ আদি দিব পৰা নাই। এইটো এটা বিচাৰ্য্যৰ বিষয়ে হৈছে। আজি পুষ্টিকৰ খাদ্যৰ নামত কি হৈছে? যি কেইটা বিভাগৰ কাৰণে আজি পুষ্টিকৰ আহাৰৰ অভাৱ ঘটিছে সেই কেইটা হৈছে; পঞ্চায়ত বি, দি, অ সকলৰ জৰিয়তে বিভিন্ন অনুস্থান আদিত পুষ্টিকৰ আহাৰ বিতৰণ কৰা হয়। কিন্তু যি কোনো কাৰণতেই নহওক, আজি এই বিতৰণ ঠিক হোৱা নাই। বিষয়া সকলে নিজেই এই খাদ্য বস্তু আত্মসাত কৰিছে। এইবিলাক অতি নৈতিকতা হীন কথা। মই উদাহৰণ স্বৰূপে কব খুজিছো যে, তুধনৈ সকলৰ অধীনত থকা কতুৰবা মহিলা সমিতিখনতে চৰকাৰৰ ফালৰ পৰা যিমান বস্তু দিয়া হয় তাতোকৈ বেছি পাইছো বুলি লিখি দিব লাগে। এখন মহিলা সমিতিৰ কথাকৈ মই গোটেই অসমৰে মহিলা সমিতি বিলাকৰ কথা দাঙি ধৰিব বিচাৰিছো। যেতিয়া মহিলা সমিতিয়ে বেছি বস্তু পোৱা বুলি লিখা দিবলে অবাধ্য হয় তেতিয়া বিষয়া সকলে তেওঁলোকক ভয় দেখুৱায় ইয়াৰো পৰি বিতৰণ কৰা বস্তুৰ এটা অংশহে শিশু সকলৰ হাতত পৰে। পিচত গৈ যিবিলাকে লিখা পঢ়া জনা মানুহ তেওঁলোকে তালৈ আহিবলৈ এৰি দিয়ে আৰু যি সকল একেবাৰে নিৰ্বোধ সেই সকলে মাজে মাজে আহি থাকে। গতেকে এই কথা বিলাকৰ অনুসন্ধান কৰিব লাগে। ইয়াৰোপৰি সেই মহিলা সমিতিত ৩৫ কেজি, মাছ, ৩৫ কেজি ভোগ চাউল আৰু কণী আৰু ফলমুল আদিৰ দিয়াৰ কথাও শুনিবলৈ পাইছো। কিন্তু প্ৰকৃত পক্ষে সেইবিলাক সেই মহিলা সমিতিত একো দিয়া হোৱা নাই। এই সমিতিৰ পৰা অফিচাৰ সকলে এই বিলাক বস্তু দিয়া বুলি লিখাই লৈছে মহোদয়, এই বিলাকেই নৈতিকতাৰ আদৰ্শনে?

উপাধ্যক্ষ মহোদয় গতিকে আজি মই সদনত মন্ত্ৰী মহোদয় আৰু আমাৰ বিভাগীয় কৰ্ম্ম কৰ্তা সকলক অনুৰোধ কৰিব খুজিছো যে, যাতে এই পুষ্টিকৰ খাদ্য বিতৰণৰ ক্ষেত্ৰত কোনো ৰকমৰ দুৰ্নীতি নকৰে। আৰু যি সকল লোকে দুৰ্নীতি কৰিছে সেই সকলক তদন্ত কৰি প্ৰকৃত পক্ষে কোন দোষী তাৰ অনুসন্ধান কৰিব লাগে। এই বিষয়ে মই এজন চছিয়েল এ এছ্ কেচন বিষয়ালৈ কেইবাবাৰো অনুৰোধ কৰি লিখিছিলো।

আৰু তেখেতক নিজে আহি চাই যাবৰ কাৰণে অনুৰোধ কৰিছিলো। তেখেঁতে কেইবা বাৰো টেলিগ্ৰাম কৰিলে কিন্তু এবাৰো নাহিলে। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যে, এই বিলাক কথাৰ এটি তদন্ত কৰি ইয়াৰ বিহিত ব্যৱস্থা কৰিবলৈ কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

অযোধ্যা ৰাম দাস :- মাননীয় উপাধ্যক্ষ মহোদয়, পুষ্টিকৰ খাদ্যৰ সম্পৰ্কত যিটো দাবীমঞ্জুৰী এই সদনৰ আগলৈ আহিছে সেই মঞ্জুৰীটো সমৰ্থন কৰি মই কেইটামান কথা কবলৈ আগবাঢ়িছোঁ। আমাৰ ৰাজ্যখনত গোৱা খাদ্য পৰিস্থিতি সম্পৰ্কে সদনৰ মাননীয় সদস্য সকলে উদ্বেগ্য প্ৰকাশ কৰিছে আৰু ইয়াৰ কাৰণে বহুতো সমালোচনা আদিও আমাৰ চৰকাৰক কৰিছে। আজি আমাৰ ৰাজ্যৰ জনসাধাৰণক যে, অতি সুলভমূল্যত খাদ্য যোগান ধৰাটো যে নিতান্তই দৰ্কাৰী কথা সেইটো মই অস্বীকাৰ কৰা নাই আৰু লগতে সুলভ মূল্যত ৰাইজক যে, চৰকাৰে খাদ্য সম্ভাৰ যোগান ধৰিবলৈ যত্নৰ অকণো ত্ৰুটি কৰা নাইসেইটো মই স্বীকাৰ কৰিছোঁ। আজি আমাৰ ৰাজ্যৰ দেৰকোটি জনসাধাৰণক খাদ্যৰ যোগান ধৰিবলৈ আমাৰ চৰকাৰে যি প্ৰচেষ্টা কৰিছে সেই প্ৰচেষ্টাত চৰকাৰ ক্ৰমান্বয়ে আগুৱাই গৈ আছে। চৰকাৰৰ এই সত্প্ৰচেষ্টাক যে, কৃতকাৰ্য্য কৰি তুলিব পাৰি তাৰ কাৰণে দেশৰসকলো শ্ৰেণীৰ লোকৰে সহযোগ লাগিব। তেহে এই আচঁনি কৃতকাৰ্য্য হব। চৰকাৰে আমাৰ খাদ্য পৰিস্থিতিটো সন্তোষজনক কৰিবৰ কাৰণেই সমবায় ব্যৱস্থা প্ৰবৰ্ত্তন কৰিবৰ কাৰণে দায়িত্ব গ্ৰহণ কৰিছে। আজি সচাকৈয়ে ২৬ বছৰৰ মূৰত হলেও চৰকাৰে যি বৈপ্লৱিক আচঁনি গ্ৰহণ কৰিছে বিশেষকৈ ধান চাউলৰ কিনা বেচাৰ ক্ষেত্ৰত এইটো সচাঁকৈয়ে এটা দৃঢ়পদক্ষেপেই চৰকাৰে গ্ৰহণ কৰিছে আৰু চৰকাৰৰ এই বৈপ্লৱিক আচঁনিটো ব্যৰ্থকৰি দিবৰ কাৰণে পুজি বাদি শক্তিসকলকে আদি কৰি প্ৰতি ক্ৰিয়াশীল শক্তিবিলাক এই আচঁনি ব্যৰ্থকৰিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছে। প্ৰতিক্ৰিয়াশীল শক্তিবিলাকৰ এই চক্ৰান্ত ব্যৰ্থ কৰি দিবৰ কাৰণে আমাৰ দেশৰ সকলোশ্ৰেণীৰ লোকে ইয়াৰ দায়িত্ব বহন কৰিব লাগিব।

এইবছৰ আমাৰ খেতি-পথাৰত ধান চাউল যথেষ্ঠ পৰিমাণে উত্‌পাদিত হৈছে যদিও সেই ধান চাউলৰ আজি বজাৰত অভাৱ হোৱাৰ মূল কাৰণ হৈছে যে, এই বিলাক উত্‌পাদন কৰা দুখীয়া শ্ৰেণীৰ-লোকসকলে তেওঁবিলাকৰ প্ৰয়োজনীয় বস্তুবিলাক কিনিবৰ কাৰণে দুইএমোণকৈ হলেও ধান সংগ্ৰহ কৰি তেওঁলোকৰ অতি লাগতিয়াল বস্তু সংগ্ৰহ কৰিছে। ইয়াৰে সুবিধা লৈ একোশ্ৰেণীৰ লোকে এই বিলাক কম দামত কিনি সেইবিলাক মজুত কৰি ৰাখিছে। সময়ত এই মজুতকাৰী সকলে অত্যধিক-দামত সেইবোৰ বিক্ৰীকৰি অত্যধিক লাভ কৰিব। গতিকেই মই চৰকাৰ এই কথাটো অনুৰোধ কৰিছো যে, এই মজুতকৰা ধানবোৰ যাতে বাহিৰলৈ ওলাই অনাৰ ব্যৱস্থা কৰে আৰু এই মজুতদাৰ বিলাকৰ ষ্টকবিলাক জব্দ কৰিব লাগে। এইটো কৰিব পাৰিলে চোৰাংকাৰ কবাৰ কৰি তেওঁবিলাকে অহৈতুক লাভ লবনোৱাৰিব। এইটো কৰিব পাৰিলে ধান মুকলি বজাৰলৈ আহিব আৰু আমাৰ চৰকাৰে সেইবিলাক অতি সোনকালে সুবিধা অনুযায়ী কিনিব পাৰিবা ইয়াৰ কাৰণে চেকপ'ষ্ট আদিত গাওঁৰক্ষী বাহিনীৰ লোকক নিয়োগ কৰিব লাগে আৰু তাত আমাৰ জনসাধাৰণেও সহায় সহযোগ আগবঢ়াব লাগিব।

তাৰ পিছত মই পুষ্টিকৰা খাদ্যৰ সম্পৰ্কত কওঁ যে, এই বিলাক কাৰণত যিবিলাক উদ্দেশ্য লৈ প্ৰত্যেক বছৰে এক বুজন পৰিমাণৰ টকা পইছা আদি খৰছ হৈ থাকে সেইমতে তাৰ উদ্দেশ্য বিলাক পূৰ্ণ নহয়। ইয়াৰ ব্যৰ্থতাৰ মূল কাৰণ হৈছে যি পদ্ধতিত এই বিলাক পৰিচালনা কৰাৰ ব্যৱস্থা কৰিব লাগিছিল সেই ব্যৱস্থাত এইবিলাক কৰিব পৰা নাই। জিলা ভিত্তিত এইক্ষেত্ৰত একো একোজন বিষয়া আছে যদিও তাৰ লগতে মহকুমা ভিত্তিত একো একোখন সৰু কমিটি কৰি দিবপাৰিলে এই পুষ্টিকৰ খাদ্যৰ আঁচনিত কৃতকাৰ্য্য হবপাৰিব বুলি মই আশাকৰিছোঁ। ইয়াৰ লগতে মই এই কথাটোৰ প্ৰতিও আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ যে, আজি আমাৰ পৱিত্ৰ বিধান সভাৰ মজিয়াত যি বিলাক কথাৰ অৱতাৰণা কৰি ছে সেই কথাবিলাক প্ৰকৃততে সত্য হয়নে নহয় সেইটো বিচাৰ কৰি চাব লাগে। এই আঁচনিৰ কাৰ্য্যকাৰিতাৰ সম্পৰ্কত কিছুমান

দুৰ্নীতিমূলক কথাও হৈছে বুলি যিবিলাক কথাৰ অৱতাৰণা আমাৰ মাননীয় সদস্য সকলে কৰিছে সেইবিলাক সত্যবুলি মই ভাবিছোঁ।

আমাৰ মাননীয় সদস্য শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী ডাঙৰীয়াই যিটো খাটি খিউ বুলি ডালডা দিয়াৰ কথা কৈছে সেইকথাটোৰ প্ৰতিও চৰকাৰে চকুদিবলাগিব। তাৰ পিছত আমাৰ মাননীয়া সদস্যা শ্ৰীমতী আনন্দী বালা ৰাভাই যিটো চেনিৰ কথা গোৱালপাৰা জিলাৰ ক্ষেত্ৰতকৈছে সেই ক্ষেত্ৰত মইও কওঁ যে, সময় মতে চেনিৰ যোগান আমাৰ ৰাইজক দিয়াটো নিতান্তই জৰুৰী কথা। সময়মতে চেনি যোগান ধৰাৰ কাৰণে সম্ভাৱপৰ সকলো বিলাক ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই আমাৰ জনপ্ৰিয় চৰকাৰক অনুৰোধ কৰিছোঁ।

এই কথাৰ লৈ আমাৰ জনসাধাৰণৰ মাজত আমাৰ প্ৰতি বিতৃষ্ণাৰ মনোভাব গঢ়ি উঠিছে। আমাৰ যোগান মন্ত্ৰীয়ে এই বিষয়ে ভত কালিন ব্যৱস্থা লবলৈ মই উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো।

আমি আজি খাদ্য নিগমৰ কাৰ্য্যকলাপৰ ক্ষেত্ৰত আমি চিন্তা কৰিব লগীয়া হৈছো। আমাৰ খাদ্য নিগমেই খাদ্যৰ অভাব অনাটনৰ মূল কাৰণ হৈছে। খাদ্য নিগমে চেনি অনাৰ যিটো ব্যৱস্থা সেইটোৰ পৰিবৰ্ত্তন কৰিব লাগে। খাদ্য নিগম অসম ৰাজ্যিক চৰকাৰৰ তলত নহয়। আমাৰ অসম চৰকাৰে দিয়া নিৰ্দ্দেশ খাদ্য নিগমে যথাযথ ভাবে পালন নকৰে। চাপ্লাই চেক্ৰেটাৰীয়ে দিয়া এলটমেণ্ট ই চাপ্লাই এলটমেণ্ট কমিটিয়ে দিয়া এলটমেণ্ট। কিন্তু তাকো খাদ্য নিগমে ৰিফিউজ কৰে। গতিকে ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে চেনি নানি অসম চৰকাৰে বেলেগ পন্থা অৱলম্বন কৰিব লাগে। এইটো কথা পৰীক্ষা কৰি চাব লাগে। ভাৰতীয় খাদ্য নিগমৰ ওপৰত নিৰ্ভৰ নকৰি ৰাজ্যিক চৰকাৰে খাদ্য নিগম এটা কৰি এইবিলাক বস্তু আনিব পৰা যায়নে নাযায় এইটো পৰীক্ষা কৰি চাবলৈ অনুৰোধ জনাই আৰু যি দুটা দাবী আহিছে সেইটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ডাঃ কোমেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, খাদ্য আৰু পুষ্টিকৰ খাদ্যৰ সম্পৰ্কত যি কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰিছে এই প্ৰস্তাব

সমৰ্থন কৰি মই দুষাৰ মান কথা কব বিচাৰিছো। শৰীৰৰ উপযোগী খাদ্য যোগান ধৰাটোৱেই হৈছে আমাৰ চৰকাৰৰ নৈতিক কৰ্ত্তব্য। কিন্তু আমাৰ চৰকাৰ আজি ২৭ বছৰে শৰীৰৰ উপযোগী খাদ্য যোগান ধৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। এই ব্যৰ্থতাৰ কাৰণ হৈছে আমাৰ বিধান সভাৰ কেইবাজনো মাননীয় সদস্যই এই সম্পৰ্কত কৈ গৈছে যে আমাৰ ব্যৱসায়ী সকলে যি সকল লোকে খাদ্যৰ যোগান ধৰে সেই সকল লোকে খাদ্যত ভেজাল দি খাদ্যৰ উপযোগী বস্তু খাদ্যৰ অনুপযোগী কৰি পেলাই। আৰু সেই বিলাককে ৰাইজৰ মাজত বিতৰণ কৰাৰ কাৰণে আমি অপুষ্টিকৰ আৰু অখাদ্য খাই আহিছো। আমাৰ বস্তু সুলভ মূল্যত দিয়াৰ কথা কয়। কিন্তু মই কওঁ যে প্ৰকৃত মূল্য। সুলভ মূল্যৰ কথাটো আমাৰ ভাৰতবৰ্ষতহে আছে। পৃথিবীৰ অন্য দেশত সুলভ মূল্যৰ কথা নাই। আচলতে যিটো বস্তুৰ মূল্য উৎপাদন কৰাৰ পৰা বিক্ৰী কৰাৰ খৰচলৈকে যিটো মূল্য সেইটোৱেই হৈছে প্ৰকৃত মূল্য। এক মোন বস্তুৰ দাম যদি ১০০ টকা হয় আৰু সেই বস্তু যদি ৫০ টকাত বিক্ৰী কৰা হয় তেন্তে সেইটো কেতিয়াও ভাল বস্তু হব নোৱাৰে। আমাৰ দেশত তেনেকুৱা ব্যৱস্থা চলি থকাৰ কাৰণেই ব্যৱসায়ী সকলে অখাদ্য বিতৰণ কৰি আহিছে। খাদ্যত ভেজাল দিয়াৰ আন এটা কাৰণ হৈছে আমাৰ চৰকাৰে আও-পকীয়া ভাবে বিশেষকৈ নিৰ্বাচন আদিৰ সময়ত ব্যৱসায়ী সকলৰ পৰা টকা সংগ্ৰহ কৰে। আৰু সেই টকা ব্যৱসায়ী সকলক আদায় কৰিবলৈ সুবিধা দিয়ে। এই সুবিধাৰ দ্বাৰাই বস্তু ভেজাল কৰিবলৈ আৰু দাম বৃদ্ধি কৰিবলৈ চৰকাৰেই আওপকীয়া ভাবে সুবিধা দিয়ে। সেই কাৰণেই এই সকল লোকে খাদ্যৰ উপযোগী বস্তুত অখাদ্য বস্তু মিহলাই আমাৰ মাজত বিক্ৰী কৰে। আমাৰ এষাৰ কথা আছে স্বাস্থ্যই সম্পদ। Health is wealth টকায়ে সম্পদ নহয় এইটো কথা আমি উপলব্ধি কৰিবলৈ টান পাওঁ। কাৰণ ভাৰতৰ মানুহে টকাকে বেচিকৈ চিনি পায়। যদি স্বাস্থ্য ভালে নাথাকে নেনেহলে যিমানেই ডাঙৰ মানুহ নহওঁ, মিনিষ্টাৰ নহওঁ কেতিয়াও সুখেৰে থাকিব নোৱাৰে। সেই কাৰণেই আমি টকাতকৈ স্বাস্থ্যক বেচি গুৰুত্ব দিব লাগিব। অন্য দেশৰ তুলনাত আমাৰ দেশৰ খাদ্য বস্তুত যি বিলাক গুণ থাকিব লাগে সেইবিলাক নাথাকে। আমাৰ

দেশত যিদৰে গাখীৰ কেইবাবিধো থাকে বা ঘি কেইবাবিধো থাকে সেইদৰে পৃথিবীৰ কতো নাই। গাখীৰ গাখীৰেই। ভাত আকৌ কি বিধ বিধ থাকিব পাৰে? ইয়াৰ পৰাই বুজিব পাৰি যে ভাৰতবৰ্ষৰ মানুহৰ নৈতিক চৰিত্ৰ কিমান তলত। গাখীৰ ভেজাল কৰা কথাটো আমাৰ শিক্ষা দিয়া হয়। স্কুলত থাকোতেই গাখীৰত পানী মিহলোৱা অংক আমি কৰি আহিছো। আজি আমাৰ দেশৰ কণ কণ লৰা-ছোৱালী বিলাকক শিক্ষা দিছো যে গাখীৰ ভেজাল কৰিব লাগে। সেই কাৰণেই এইবিলাক কথা আমাৰ পাঠ্য পুথিত দিয়া হৈছে। গাখীৰত পানী মিহলোৱা কথাটোৱে আমাৰ নৈতিক চৰিত্ৰ গঠন কৰাত অসহায় কৰে। যোগান বিভাগে যিবিলাক বস্তুৰ যোগান ধৰে সেইবিলাক যে অখাদ্য সেই কথা আমাৰ মাননীয় সদস্য যি সকলে হোষ্টেলৰ কেনটিনত ভাত খাইছে সেই সকলে গম পায়। ভাত যি চাউল দিছে সেইবিলাক শিল, বালি, ধান-তুহেৰে ভৰা। বিধান সভাৰ সদস্য সকল প্ৰথম শ্ৰেণীৰ নাগৰিক বুলিব পাৰি। এই প্ৰথম শ্ৰেণীৰ নাগৰিকক যি খাদ্য খুৱাইছে তাৰ পৰাই অনুমান কৰিব পাৰি যে আমাৰ ৰাইজক কেনেকুৱা বস্তু যোগান বিভাগে খুৱাইছে? আমাৰ গাওঁ বিলাকত বিশেষকৈ বাগান বিলাকত যিবিলাক ৰেচন দিছে সেইবিলাক খাদ্যৰ উপযোগী নহয়। কিন্তু আমাৰ জনসাধাৰণে তাকে খাদ্য হিচাবে খাইছে। এইবিলাক চৰকাৰৰ ধূৰ্ত্ততাৰ বাহিৰে একো হব নোৱাৰে। আমি ডাঙৰ ডাঙৰকৈ কলেই নহব আচলতে যোনে এইবিলাক খাদ্য খাইছে তেওঁলোকেহে এইবিলাক কথা অনুমান কৰিব পাৰে। ভিজিতেবল ঘি মিঠাতেল আদিত ভেজাল দি আমাৰ মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিছে। মিঠাতেলত আজিকালি নামৰ তেল ভেজাল দিয়াৰ কাৰণে মানুহ নিশকটীয়া হৈ একাঙ্গি হোৱাৰ উপক্ৰম হৈছে।

আজি আমাৰ ৰাইজৰ অবস্থা খাবলৈ নোপোৱা মানুহৰ দৰে হৈছে। শৰীৰত বল নোহোৱা হৈ পৰিছে। আমি যদি ৰাইজক খোৱা বস্তু দিব নোৱাৰো যদি নৈতিক চৰিত্ৰ গঠন কৰিব নোৱাৰো। তেন্তে সুস্থ সমাজ কেতিয়াও প্ৰতিষ্ঠা হব নোৱাৰে। আজি আমাৰ মানুহে পুষ্টিকৰ খাদ্য এসাজো খাব পৰা নাই। আজি আমাৰ লৰা-ছোৱালীয়ে বেবি ফুড খোৱা নাই।

শতকৰা মানুহৰ ৯০ জন মানুহৰ ক্ষেত্ৰপোলা বেমাৰ হৈ মৃত্যুৰ মুখত পৰিছে। যি খিনি মানুহৰ ওপৰত খাদ্য উৎপাদন কথাটো নিৰ্ভৰ কৰে তেওঁলোক আজি তিল তিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈছে। পুষ্টিকৰ খাদ্য নোহোৱাৰ কাৰণে আমাৰ সমাজ খনক ৰুগ্ন অবস্থাত দেখিবলৈ পাইছো। আজি দেখা গৈছে গাওঁ বিলাকতে যক্ষ্মা ৰোগীৰ সংখ্যা বেচি। যিবিলাক মানুহৰ ৰেজিচটেন্ট পাৱাৰ কম সেই সকলৰ যক্ষ্মা ৰোগ হয়। আমাৰ ইয়াৰ পৰা মানুহ ইউকে বা বিলাতলৈ যাব লগা হলে বুকু আদত এক্সৰে আদি কৰি লয় যাতে টি, বিৰ বীজাণু বিয়পিব নোৱাৰে। কিন্তু আমাৰ ইয়ালৈ বেলেগ ঠাইৰ পৰা মানুহ আহোতে যাৰ টি, বি বেমাৰৰ বীজাণু নাই তাকহে সোমাবলৈ দিয়া নাই। আমাৰ দেশৰ শতকৰা ৮০ জন মানুহৰ টি, বি বেমাৰ আছে। আমাৰ ইয়াতে যদি পৰীক্ষা কৰা হয় তেন্তে দেখা যাব যে কমেও ৩০-৪০ জন সদস্যৰ টি, বি বেমাৰ আছে। আমাৰ চাহ দোকানত চাহ খোৱা ভালেমান লোকক লক্ষ্য কৰিলে দেখা যায় যে সৰহ ভাগৰে টি, বি বেমাৰ আছে। আজি এইদৰে আমাৰ ৰাইজক তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া হৈছে। ঠিক সেই ধৰণে আমাৰ ইয়াত কোষ্ঠ ৰোগীৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। তেওঁলোকক যি ধৰণে চিকিৎসা দিব লাগে সেই ধৰণে দিব পৰা নাই। এই ক্ষেত্ৰত আমাৰ ইয়াত বহুত আচনি লৈছে যদিও সেই আচনি বিলাক কাৰ্য্যকৰী হোৱা নাই। যিসকলে প্ৰকৃততে চিকিৎসা পাব লাগে তেওঁলোকে পোৱা নাই যদি আমাৰ দেশৰ ৰাইজক পুষ্টিকৰ খাদ্যৰ যোগান ধৰিব নোৱাৰে তেন্তে আমাৰ দেশৰ যক্ষ্মা ৰোগৰ বেমাৰ বাঢ়ি যাব। আমি আশা ৰাখিছো চৰকাৰে যাতে পুষ্টিকৰ খাদ্যৰ যোগান ধৰাৰ ব্যৱস্থা কৰে আৰু ভেজালকাৰী সকলক কঠোৰ হাতে দমন কৰে। আজি দেখা যায় যিবিলাকে ভেজাল কৰে তেওঁলোক নানা প্ৰকাৰে সাৰি যায়। কৰবাত ধৰা পৰিলেও একো ব্যৱস্থা লব নোৱাৰে। আমাৰ ৰাইজৰ স্বাস্থ্য ভালে ৰাখিবলৈ হলে প্ৰয়োজনীয় যিখিনি খাদ্য সেই খিনি দিব লাগে। নহলে আমাৰ মানুহ মৰি শেষ হৈ যাব।

শ্ৰীগজেন তাতী :- মাননীয় উপাধ্যক্ষ মহোদয়, ৯১ লাখ ৩৫ হাজাৰৰ যি মঞ্জুৰীৰ দাবী অনা হৈছে সেই সম্পৰ্কত মাননীয় সদস্য সকলে যথেষ্ট সমালোচনা কৰিছে। মাননীয় সদস্যা শ্ৰীমতী বৰকটকীয়ে এই সংক্ৰান্তত যথেষ্ট কথা সদনত দাঙি ধৰিছে। এই সংক্ৰান্তত নানা সন্দেহ প্ৰকাশ কৰিছে। আচলতে এইটো নিৰ্ব্বাচনৰ কথাত নহয়। পুষ্টিকৰ খাদ্য স্তেওঁবিলাকৰ জৰিয়তে বিতৰণ কৰাৰ কথা কৈছে। খৰচত দেখা গৈছে যে চেলাৰিত ৫ লাখ ৭৫ হাজাৰ ট্ৰেভেলিং আদিত ৪২ হাজাৰ ৫শ আৰু অফিচৰ বাবে ১ লাখ ৭০ হাজাৰ আৰু ৰেণ্ট এণ্ড টেক্স আদিত ৩০ হাজাৰ মটৰ ভেহিকেলত ১০ হাজাৰ। প্ৰকিউৰমেণ্ট আদিত ৩৭ লাখ ৩৩ হাজাৰ। ১০৭ টকা। মুঠতে ৯১ লাখ ৩৫ হাজাৰ টকা হৈছে। মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই কৈছে যে যোৱা ইউ, পিৰ নিৰ্ব্বাচনৰ সময়ত অসমৰ খাদ্য বস্তু ইউ, পিলৈ গল। আৰু অসমৰ মাৰোৱাৰি সকলৰ পৰা টকা পইচা উঠাই ইউ, পিলৈ পঠিয়াই দিছে। এই কথাটো ভিত্তিহীন

মাননীয় সদস্য তুলাল বৰুৱা ডাঙৰীয়াই যিটো অভিযোগ আনিছে যে অসমৰ মিল মালিক সকলৰ পৰা টকা-পইচা উঠাই ইউ, পিৰ নিৰ্বাচনৰ কাৰণে পথোৱা হৈছে সেই অভিযোগটো একেবাৰে ভিত্তিহীন, এইটো কিহৰ ওপৰত নিৰ্ভৰ কৰি অভিযোগ আনিছে সেই বিষয়ে মই কব নোৱাৰিলো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—মই যি বিলাক অভিযোগ আনিছোঁ সেই বিলাক ভিত্তিহীন বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছে কিন্তু আমি জনাত অসমৰ কাৰণে যিমানখিনি বস্তুৰ যেনে -চেনি, ঘেহু, চাউল ইত্যাদি অসমৰ কাৰণে এলোটমেণ্ট কৰা হৈছিল সেই গোটেই খিনিয়েই উত্তৰ প্ৰদেশলৈ "দাইভাৰ্ট" কৰা হৈছিল। ইয়াৰ উপৰিও প্ৰধান মন্ত্ৰী অসমলৈ আহোতে গুৱাহাটী চাৰ্কিট হাউচত কৈছিল যথেষ্ট সংখ্যক টকা দিয়া বুলি খবৰ পাইছোঁ কিন্তু তেনে অৱস্থাতো যদি নাই বুলি কয় কি উপায় আছে ?

শ্ৰীগজেন তাতী (মঃ) :- এই বিষয়টোলৈ আৰু বাক বিতণ্ডা নকৰো, মাননীয় সদস্য বৰুৱা ডাঙৰীয়াই কৈছিল যে ২৯৮ জন মানুহৰ

মৃত্যু ঘটিছে, এইখিনিতে মই কব খুজিছোঁ যে মানুহ মৰিছে নে নাই সেইটোৰ দিচপিউট কৰিবলৈ যাওতে দেখা যায় যে মানুহৰ খাদ্যৰ অভাৱ ২টা কাৰণত হব পাৰে এটা হ'ল গোটাই মজুত কৰি ৰখা আৰু আনটো হ'ল ক্ৰয় শক্তি নোহোৱাৰ কাৰণে, গতিকে যি সকলৰ ক্ৰয় শক্তি নাই তেওঁলোকক যোগান বিভাগে কেনেকৈ বস্তু যোগান ধৰিব? গতিকে তাৰ বাবে যোগান বিভাগ দায়ী নহয়।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :- কিন্তু উপাধ্যক্ষ মহোদয় যেতিয়া ৪ টকা চাউলৰ কিলো হ'ল তেনে ক্ষেত্ৰত ৫ টকা দিওতেও যদি চাউল পোৱা নাযায় তেতিয়াহলে যোগানবিভাগ দায়ী নহয় নেকি?

শ্ৰীগজেন তাতী (মঃ) :- যদি ক্ৰয় শক্তি নোহোৱাৰ কাৰণে কাৰোবাৰ কষ্ট হয় তেনে অৱস্থাত আমাৰ যোগান বিভাগক দায়ী কৰিব নোৱাৰি বুলি ভাবো, তাৰ কাৰণে চৰকাৰে য'ত দায়ী সেই বিলাক ঠাইত 'টেষ্ট ৰিলিফৰ 'জৰীয়তে সেই লোক সকলক সহায় কৰা, আৰু য'ত ৰাইজৰ ক্ৰয় কৰা শক্তি আছে, সেই ক্ষেত্ৰত যোগান বিভাগৰ দায়িত্ব আছে, মাননীয়া সদস্যা ৰেণুকা দেৱী বৰকটকী ডাঙৰীয়ানীয়ে কৈছে যে প্ৰোকিয়ৰমেণ্ট টাৰগেট শেষ হৈ গ'ল কিন্তু প্ৰকৃততে সেইটো হোৱা নাই, প্ৰোকিয়ুৰমেণ্ট টাৰগেট এতিয়াও শেষ হোৱা নাই, প্ৰায় ১৭ লাখ কুইণ্টল ধান এতিয়াও সংগ্ৰহ কৰিবলৈ বাকী আছে। গেটেই হিচাবটো আনিব পৰা নগল, ১৯৭৩ চনত গুৱাহাটী চাব-ডিভিজনত 'ফেয়াৰ প্ৰাইজ' চোপৰ জৰীয়তে যোগান ধৰা হৈছিল মাত্ৰ ১০০০ কুইণ্টল আৰু ১৯৭৪ চনত মাৰ্চ মাহলৈ ফেয়াৰ প্ৰাইজ চোপৰ জৰীয়তে ১৫০০০ কুইণ্টল।

(ভইচ :- কোন ঠাইত ?)

সেইটো গুৱাহাটী চাবডিভিজনত, ১৯৭৩ চনত মাৰ্চ মাহলৈ ধুবুৰীত ফেয়াৰ প্ৰাইজ চোপৰ জৰীয়তে ১০০০ কুইণ্টল, দিয়া হৈছিল আৰু ১৯৭৪ চনৰ মাৰ্চ মাহত ধুবুৰীত যোগান ধৰা হৈছিল প্ৰায় ১৫০০০ কুইণ্টল, এইদৰে যিবিলাক ঠাইত দেফিচিট হৈছে সেইবিলাক ঠাইত যথেষ্ট পৰিমান সুবিধা আগবঢ়োৱা হৈছে আমাৰ খবৰ মতে কোনো

ঠাইতেই চাউলৰ দাম ৫ টকা হোৱা নাই। মাননীয় সদস্যা ৰেণুকা দেৱী বৰকটকী ডাঙৰীয়ানীয়ে কৈছে যে ধান-চাউলৰ ব্যৱসায় চৰকাৰে সম্পূৰ্ণ নিজৰ হাতলৈ আনিছে, কিন্তু প্ৰকৃততে সেইটো নহয়, আচলতে কথাটো হ'ল চৰকাৰে ধানপ্ৰোকিয়ৰমেণ্ট কৰি সেই প্ৰোকিয়ৰমেণ্ট এমাউণ্টৰ পৰা চাব ডিভিজনেল লেভেলত বিতৰণ কৰাৰ ব্যৱস্থা কৰিছিল, আগতে কেৱল ব্যৱসায়ীয়ে এই চাউল বিলাক নিছিল কিন্তু এতিয়া চৰকাৰে সমবায় বিলাকক এই ধান চাউল বিতৰণ কৰে। অসম চৰকাৰৰ ২ খন বজাৰ আছে, এখন হ'ল ফেয়াৰ প্ৰাইজ চাপ আৰু আন খন হ'ল মুকলি বজাৰ। বৰকটকী ডাঙৰীয়ানীয়ে কৈছে যে ইণ্টাৰ দিষ্ট্ৰিক্ট মোভমেণ্টটো খুলি দিব লাগে। এই বিষয়টো অৱশ্যে চিন্তনীৰ বিষয়, কিন্তু এই মোভমেণ্টটো খুলি দিলে আমাৰ সৰু সৰু ব্যৱসায়ী বা যি সকল ডেকা লৰাই এই ব্যৱসায়ৰ দ্বাৰা উপাৰ্জ্জনৰ পথ মুকলি কৰিছে সেই সকলৰ অসুবিধা হব কিয়নো জিলা জিলাৰ পৰা খুলি দিলে সেই ব্যৱসায় ডাঙৰ ডাঙৰ মিলমালিকৰ হাতলৈ গুচি যাব, যিহেতু এতিয়ালৈকে ডেৰ কুইণ্টল অনা নিয়া কৰিবলৈ পাৰমিশ্যন দিয়া হৈছে আৰু সেই সুবিধা কনকে লৈ আমাৰ সৰু সৰু ব্যৱসায়ী সকলে চলি আছে। গতিকে 'ইণ্টাৰ দিষ্ট্ৰিক্ট মোভমেণ্ট' বৰ্ত্তমান অৱস্থাত খুলি দিয়াৰ কথাটো চিন্তা কৰা হোৱা নাই। তেখেতে যেতিয়া এই বিষয়ে পৰামৰ্শ দিছে সেই বিষয়ে ভালকৈ চিন্তা কৰি চাম।

নিউট্ৰিশ্যন ফুদৰ ওপৰত আৰু কেলৰিক ফুদৰ ওপৰত যিবিলাক সমালোচনা কৰা হৈছে সেই সম্পৰ্কে কওঁ যে দৰ্ম্মহা কমিটি গঠন কৰাৰ সময়তে এই বিলাক কথা আলোচনা কৰা হৈছে আৰু সেইমতে বিবেচনা কৰা হব। ভেজালৰ কথা কৈছে, এই বিষয়েও মাজে সময়ে আমাৰ মাজত আলোচনা হৈ আছে। নিউট্ৰিশান ফুদৰ বিষয়ে মাননীয় মন্ত্ৰীয়ে জানে আৰু সেই বিষয়ে নিশ্চয় বিহিত ব্যৱস্থা হাতত লব। এই খিনি কথাকে ডাঙি ধৰি মই মাননীয় সদস্য সকলক তেখেত সকলৰ কৰ্ত্তন প্ৰস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিলোঁ।

শ্ৰীকবীৰ ৰায় প্ৰধানী :- এই যে পচা চাউল যোগান ধৰাৰ কাৰণে কোন জগৰীয়া ? মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে অনুসন্ধান কৰি কিবা এটা ব্যৱস্থা কৰিবনে ?

